অধ্যায় ৮ ঃ তথ্য প্রযুক্তি আইন, ২০০০ (THE INFORMATION TECHNOLOGY ACT, 2000)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সংক্ষিপ্ত ইতিহাস

৮.৪ আইনখনৰ উদ্দেশ্য

৮.৫ আইনখনৰ অধীনস্থ সংজ্ঞাৱলী

৮.৬ ডিজিটেল আৰু ইলেক্ট্রনিক হস্তাক্ষৰৰ সৈতে জড়িত ব্যৱস্থাৱলী

৮.৭ ইলেক্ট্রনিক ৰেকর্ড

৮.৮ ইলেক্ট্রনিক ৰেকর্ডৰ ব্যৱস্থাকৰণ আৰু আদান-প্রদান

৮.৯ প্রমাণ-পত্র প্রদানকাৰীক কর্তৃপক্ষৰ বিধি ব্যৱস্থা

৮.১০ বিদ্যুতিন হস্তাক্ষৰৰ প্রমাণ-পত্র

৮.১১ চাইবাৰ এপিলেট ট্রিবিউনেল

৮.১২ আইনখনৰ অধীনস্থ অপৰাধ আৰু শাস্তি

৮.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১৪ অগ্রগতিৰ খতিয়ান

৮.১৫ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তথ্য প্রযুক্তি আইন (আই টি এক্ট)ৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিব,
- আইনখনত ব্যৱহৃত বিভিন্ন শব্দৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- ডিজিটেল আৰু ইলেক্ট্রনিক ছিগনেচাৰ সম্পর্কীয় ব্যৱস্থাৱলীৰ বিষয়ে জানিব পাৰিব,
- ইলেক্ট্রনিক ৰেকর্ড সম্পর্কীয় ব্যৱস্থাৱলী ব্যাখ্যা কৰিব পাৰিব,
- চাইবাৰ এপিলেট ট্রিবিউনেলৰ গঠন আৰু ক্ষমতা সম্পর্কে আলোচনা কৰিব পাৰিব,
- প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ বিধি সম্পর্কে আলোচনা কৰিব পাৰিব,
- আইনখনৰ অধীনস্থ অপৰাধ আৰু শাস্তিৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয় (INTRODUCTION)

একবিংশ শতিকাত তথ্য প্রযুক্তি মানৱ সভ্যতাৰ জীৱনৰেখা স্বৰূপ হৈ পৰিছে। তথ্য প্রযুক্তিৰ ক্রমৱর্ধমান ব্যৱহাৰ আৰু গুৰুত্বৰ প্রতি দৃষ্টি ৰাখি ভাৰত চৰকাৰে তথ্য প্রযুক্তি ক্ষেত্রখনত

আইনৰ পৰিসৰলৈ অনাৰ সিদ্ধান্ত কৰে। সেই অনুসৰি তথ্য প্রযুক্তি আইন, ২০০০ প্রস্তুত কৰা হয়। এই অধ্যায়ত আমি তথ্য প্রযুক্তি আইন, ২০০০ সম্পর্কে আলোচনা কৰিম। এই আইনখনে ডিজিটেল ৰেকর্ড অর্থাৎ অভিলেখ তথা তথ্যপাতি আৰু প্রযুক্তিগতভাৱে সম্পাদন কৰা অন্যান্য কার্যাৱলীক আইনগত স্বীকৃতি প্রদান কৰে। ই-কমার্চ আৰু ই-বিজিনেছৰ ক্ষেত্রত ইয়াৰ যথেষ্ট প্রভাৱ আছে। এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আপোনালোকে তথ্য প্রযুক্তি আইন, ২০০০ ৰ ব্যৱহাৰ আৰু কার্যকাৰিতা সন্দর্ভত বিস্তৃতভাৱে জানিব পাৰিব।

৮.৩ সংক্ষিপ্ত ইতিহাস (BRIEF HISTORY)

কম্পিউটাৰ, ইণ্টাৰনেট আৰু তথ্য প্রযুক্তিৰ ব্যৱহাৰে একবিংশ শতিকাৰ জীৱনশৈলী সলনি কৰি দিছে। সম্প্রতি কাগজ পত্রৰ জৰিয়তে কৰা যোগাযোগৰ ব্যৱস্থাৰ ঠাইত ই-যোগাযোগ প্রয়োগ হৈছে, নথি-পত্রৰ আদান-প্রদানৰ পৰিৱর্তে ই-কমার্চ আৰু কাগজপত্র ভিত্তিক প্রশাসনৰ ঠাইত ই-গভার্ণেঞ্চ প্রচলিত হৈছে। তথ্য প্রযুক্তি (আই টি) আৰু কম্পিউটাৰৰ প্রয়োগে কেতবোৰ নতুন শব্দ যেনে চাইবাৰ ৱর্ল্ড, ই-যোগাযোগ, ই-বিজিনেছ, ই-কমার্চ, ই-বেংকিং, ই-কণ্ট্রেক্ট, ই-টেণ্ডাৰিং, ই-চার্টিফিকেট, ই-লাইব্রেৰী ইত্যাদিৰ ব্যৱহাৰ হ'বলৈ ধৰিছে। আমাৰ দৈনন্দিন জীৱন সহজ আৰু দ্রুত হোৱাৰ উপৰিও তথ্য প্রযুক্তিক অপৰাধীহঁতে অস্ত্র হিচাপে ব্যৱহাৰ কৰাৰ ফলত পৃথিৱীৰ প্রতি ভাবুকিৰ সৃষ্টি হৈছে। একেদৰে চাইবাৰ স্পেচত উদ্ভৱ হোৱা চাইবাৰ অপৰাধৰ বিভিন্ন সমস্যা মোকাবিলা কৰিবৰ বাবে আইনৰ এটা নতুন শাখাৰ প্রয়োজন হৈ পৰিল, অর্থাৎ চাইবাৰ আইন বা তথ্য প্রযুক্তি আইনৰ আৱশ্যকতা আহি পৰিল। আজিকালি ব্যৱসায়িক জগতখনত যিমানদূৰ সম্ভৱ কম্পিউটাৰৰ সহায়ত আৰু তথ্য প্রযুক্তিৰ জৰিয়তে লেনদেন কৰা হয়। ইলেক্ট্রনিক প্রক্রিয়াৰ জৰিয়তে সম্পাদন কৰা ব্যৱসায়িক কার্যাৱলীক ইলেক্ট্রনিক কমার্চ বা ই-কমার্চ (e-comerce) বুলি জনা যায়। ই কাগজপত্র ভিত্তিক লেনদেনৰ প্রয়োজনীয়তা হ্রাস কৰে। ই-কমার্চ আৰু ই-গভার্ণেঞ্চে সন্মুখীন হোৱা জটিলতাটো হৈছে ইয়াৰ ন্যায়িক স্বীকৃতি, অর্থাৎ নথি-পত্রৰ ওপৰত স্বাক্ষৰ কৰা।

এনে পৰিস্থিতিত ১৯৯৬ত প্রথমবাৰৰ বাবে ৰাষ্ট্রসংঘৰ আন্তর্জাতিক বাণিজ্য আৰু আইন সম্পর্কীয় আয়োগ (UNCITRAL)এ ই-কমার্চ সন্দর্ভত এখন খচৰা আইন গ্রহণ কৰে। এই আইনখন ১৯৯৭ত এটা প্রস্তাৱ পাৰিত কৰি ৰাষ্ট্রসংঘৰ সাধাৰণ পৰিষদে গৃহীত কৰে, য'ত ভাৰতেও স্বাক্ষৰ কৰিছিল। পৰৱর্তী সময়ত ভাৰত চৰকাৰে ডিজিটেল ছিগনেচাৰ আৰু ইলেক্ট্রনিক ৰেকর্ডৰ ক্ষেত্রত ই-কমার্চ আৰু ই-গভার্ণেঞ্চ সুচাৰুৰূপে সম্পাদন কৰিব পৰাকৈ এখন সুকীয়া আইন আৰু বর্তমানৰ আইন-কানুনবোৰৰ সংশোধনীৰ প্রয়োজনীয়তা অনুভৱ কৰে। ইয়াৰ ফলতেই তথ্য প্রযুক্তি বিধেয়ক, ১৯৯৯ৰ জন্ম হয়। বিধেয়কখন ২০০০ চনৰ মে' মাহত সংসদৰ দুয়োখন সদনতে পাৰিত হয় আৰু ই ২০০০ চনৰে আগষ্ট মাহত ভাৰতৰ ৰাষ্ট্রপতিৰ সন্মতি লাভ কৰে আৰু তথ্য প্রযুক্তি আইন, ২০০০ হিচাপে স্বীকৃত হয়। পৰৱর্তী সময়ত প্রয়োজনৰ তাগিদাত ২০০৮ চনত আইনখন সংশোধন কৰা হয়।

ই-কমার্চ আৰু ই-গভার্ণেঞ্চৰ ওপৰত এই আইনতৰ গুৰুতৰ প্রভাৱ আছে, সেয়ে তথ্য প্রযুক্তি আইন, ২০০০ৰ বিভিন্ন চর্তাৱলী সম্পর্কে অধ্যয়ন কৰাটো যথেষ্ট গুৰুত্বপূর্ণ।

৮.৪ আইনখনৰ উদ্দেশ্য (OBJECTIVES OF THE ACT)

নিম্নোল্লিখিত উদ্দেশ্যসমূহ আগত ৰাখি তথ্য প্রযুক্তি আইন, ২০০০ প্রস্তুত কৰা হয়—

- ইলেক্ট্রনিক ব্যৱস্থাৰে কৰা লেনদেনৰ বৈধতা নিৰূপণ কৰা
- ডিজিটেল ছিগনেচাৰ অর্থাৎ স্বাক্ষৰক আইনগত স্বীকৃতি প্রদান কৰা
- চৰকাৰী বিভাগত নথি-পত্রৰ ইলেক্ট্রনিক ফাইলিং কৰা
- তথ্য বা অভিলেখৰ ইলেক্ট্রনিক সংৰক্ষণ কৰা
- বিভিন্ন বেংক আৰু বিত্তীয় প্রতিষ্ঠানৰ মাজত ইলেক্ট্রনিকভাৱে মুদ্রাৰ বিনিময় সম্পাদন কৰা আৰু ইয়াক আইনগত স্বীকৃতি প্রদান কৰা
- ভাৰতীয় দণ্ডবিধি (আই পি চি), ভাৰতীয় সাক্ষ্য-প্রমাণ আইন (আই ই এ), ১৮৭২; বেংকার্ছবুক এভিডেঞ্চ এক্ট, ১৮৯১ আৰু ৰিজার্ভ বেংক অৱ ইণ্ডিয়া এক্ট, ১৯৩৪ সংশোধন কৰা।

৮.৫ আইনখনৰ অধীনস্থ সংজ্ঞাৱলী (DEFINITIONS UNDER THE ACT)

আইনখনৰ ব্যৱস্থাৱলী সম্পর্কে সবিশেষ আলোচনা কৰাৰ পূর্বে ইয়াত ব্যৱহৃত কিছুমান শব্দৰ অর্থ জানি লোৱাটো ভাল হ'ব। ই আমাক আইনখনৰ ব্যৱস্থাৱলী সম্পর্কে ভালদৰে বুজি পোৱাত সহায় কৰিব। তলৰ অনুচ্ছেদত আমি আইনখনৰ অনুচ্ছেদ ২ত অন্তর্ভুক্ত কিছুমান সংজ্ঞাৰ বিষয়ে আলোচনা কৰিম ঃ

উপযুক্ত চৰকাৰ (Appropriate Government) ঃ

ক) সংবিধানৰ ৭নং অনুসূচীৰ ২নং তালিকাত উল্লিখিত যিকোনো বিষয় তথা

খ) সংবিধানৰ ৭নং অনুসূচীৰ ৩নং তালিকাৰ অধীনত প্রণয়ন কৰা যিকোনো ৰাজ্যিক আইন সম্বন্ধীয় যিকোনো বিষয়ৰ ক্ষেত্রত ৰাজ্য চৰকাৰ আৰু আন বিষয়সমূহৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰক উপযুক্ত চৰকাৰ বুলি গণ্য কৰা হৈছে।

এছিমেট্রিক ক্রিপ্ট' ছিষ্টেম (Asymmetric Crypto System) ঃ আইনখনৰ Sec. 2(1)(f) অনুসৰি Asymmetric Crypto System মানে হৈছে এনে এটা পদ্ধতি, য'ত দুটা সুৰক্ষিত চাবি থাকে, ইয়াৰে এটা ব্যক্তিগত চাবি (Private Key) আৰু আনটো ৰাজহুৱা চাবি (Public Key)। ব্যক্তিগত চাবিৰে ডিজিটেল হস্তাক্ষৰ সৃষ্টি কৰা হয় আৰু ৰাজহুৱা চাবিৰে ডিজিটেল হস্তাক্ষৰ পৰীক্ষা কৰা হয়।

যোগাযোগৰ আহিলা (Communication Device) ঃ আইনখনৰ Sec. 2(1)(ha) অনুসৰি যোগাযোগৰ আহিলা মানে হৈছে যোগাযোগ কৰিবলৈ, যিকোনো পাঠ প্রেৰণ বা স্থানান্তৰ

কৰিবলৈ, ভিডিঅ'-অডিঅ' বা চিত্র আদি প্রেৰণ কৰিবলৈ ব্যৱহৃত চেল ফোন, ব্যক্তিগত ডিজিটেল সহযোগিতা বা দুয়োটাৰে সমন্বয় বা যিকোনো এটা আহিলা।

কম্পিউটাৰ (Computer) ঃ আইনখনৰ Sec. 2(1)(i) অনুসৰি Computer মানে হৈছে যিকোনো বৈদ্যুতিন, চুম্বকীয়, অপ্টিকেল বা অন্য দ্রুত গতি সম্পন্ন তথ্য সংসাধন আহিলা, যি ইলেক্ট্রনিক, মেগনেটিক বা অপ্টিকেল ইমপালছৰ জৰিয়তে যুক্তিযুক্ত, অংক তথা স্মৃতি সম্পৰ্কীয় কার্যকলাপ সম্পাদন কৰে আৰু নিবেশ (Input), উৎপাদন (Output), সংসাধন, সঞ্চয়, কম্পিউটাৰ ছফ্‌টৱেৰ বা যোগাযোগ ব্যৱস্থা সম্পন্ন কৰে, যিবিলাক এটা কম্পিউটাৰ ছিষ্টেম বা কম্পিউটাৰ নেটৱর্কৰ সৈতে সংযুক্ত হৈ থাকে।

কম্পিউটাৰ নেটৱর্ক (Computer Network) ঃ আইনখনৰ Sec. 2(1)(j) অনুসৰি Computer Network মানে হৈছে হৈছে এটা বা একাধিক কম্পিউটাৰ বা কম্পিউটাৰ ছিষ্টেম বা যোগাযোগৰ আহিলাৰ আন্তঃসংযোগৰ জৰিয়তে ঃ

ক) উপগ্রহ, সুক্ষ্মতৰংগ, স্থলজ ৰেখা, তাঁৰ, তাঁৰবিহীন আহিলা বা আন যোগাযোগ মাধ্যমৰ ব্যৱহাৰৰ জৰিয়তে

খ) টার্মিনেল বা আন্তঃসংযোজিত দুটা বা অধিক কম্পিউটাৰৰ গোট অথবা যোগাযোগৰ আহিলাৰ জৰিয়তে, যিবিলাকৰ আন্তঃসংযোগ ধাৰাবাহিকভাৱে বজাই ৰখা হ'বও পাৰে, নহ'বও পাৰে।

কম্পিউটাৰ ৰিছ'র্চ (Computer Resource) ঃ আইনখনৰ Sec. 2(1)(k) অনুসৰি Computer Resource মানে হৈছে কম্পিউটাৰ, কম্পিউটাৰ ছিষ্টেম, কম্পিউটাৰ নেটৱর্ক, তথ্য, কম্পিউটাৰ তথ্যবেছ বা ছফ্‌টৱেৰ।

কম্পিউটাৰ ছিষ্টেম (Computer System) ঃ ধাৰা Sec. 2(1)(l) অনুসৰি সূচী অযোগ্য (Not Programmable) আৰু বাহ্যিক দস্তাবেজৰ (External Files) জোঁটনি (Conjunction) কৰাত সক্ষম নোহোৱা গণকযন্ত্রৰ (Calculators) বাহিৰে আন কোনো যুক্তি, অংক, তথ্য সঞ্চয় তথা পুনৰুদ্ধাৰ, যোগাযোগৰ নিয়ন্ত্রণ আৰু আন কার্য সম্পাদন কৰিবলৈ ব্যৱহাৰ কৰা কম্পিউটাৰ যন্ত্র-সূচী, বৈদ্যুতিন আদেশ, নিবেশ তথ্য আৰু উৎপাদন তথ্য (Computer Programmes, Electronic Instructions, Input Data and Output Data) ইত্যাদি নিবেশ আৰু উৎপাদন সমর্থিত আহিলা বা আহিলাৰ সংগ্রহকেই কম্পিউটাৰ ছিষ্টেম ব্যৱস্থা বুলি কোৱা হয়।

চাইবাৰ ছিকিউৰিটী (Cyber Security) ঃ আইনখনৰ Sec. 2(1)(nb) অনুসৰি Cyber Security মানে হৈছে অকর্তৃত্বশীল ব্যৱহাৰ, গোপনীয়তা ভংগ, বিভ্রান্তিৰ সৃষ্টি, বিকৃতকৰণ, বা ধ্বংস কার্যৰ পৰা সংগৃহীত তথ্য, আহিলা-পাতি, আহিলা, কম্পিউটাৰ, কম্পিউটাৰ ৰিছ'র্চ, যোগাযোগ আহিলা আদিক সুৰক্ষিত কৰা।

তথ্য (Data) ঃ আইনখনৰ Sec. 2(1)(o) অনুসৰি তথ্য Data মানে হৈছে একোটা গাঁথনিগত পদ্ধতিত প্রস্তুত কৰা বা কৰি থকা তথ্য, জ্ঞান, ঘটনা-পৰিঘটনা, ধাৰণা বা নির্দেশনা;

যিবিলাক একোটা কম্পিউটাৰ ছিষ্টেম বা কম্পিউটাৰ নেটৱৰ্কত প্ৰচেছ কৰা হ'ব বা প্ৰচেছ কৰি থকা হৈছে বা প্ৰচেছ কৰা হ'ল আৰু যিকোনো ৰূপত থাকিব পাৰে (যেনে— কম্পিউটাৰ প্ৰিণ্ট আউট, মেগনেটিক বা অপ্টিকেল ষ্ট'ৰেজ মিডিয়া, পাঞ্চড কার্ড, পাঞ্চড টেপ) বা কম্পিউটাৰৰ মেম'ৰীত সংৰক্ষিত থাকিব পাৰে।

ডিজিটেল হস্তাক্ষৰ (Digital Signature) ঃ আইনখনৰ Sec. 2(1)(p) অনুসৰি তথ্য ডিজিটেল হস্তাক্ষৰ (Digital Signature) মানে হৈছে অনুচ্ছেদ ৩ৰ ব্যৱস্থাৱলী অনুসৰি থকা প্ৰক্ৰিয়াৰে বা একোটা ইলেক্ট্ৰনিক পদ্ধতিৰ জৰিয়তে যিকোনো ইলেক্ট্ৰনিক ৰেকর্ডত সংশ্লিষ্ট লোকে সত্যতাৰ নিশ্চয়তা প্ৰদান কৰি কৰা ডিজিটেল স্বাক্ষৰ।

ডিজিটেল হস্তাক্ষৰৰ প্ৰমাণ-পত্ৰ (Digital Signature Certificate) ঃ আইনখনৰ Sec. 2(1)(q) অনুসৰি ডিজিটেল হস্তাক্ষৰৰ প্ৰমাণ-পত্ৰ (Digital Signature Certificate) মানে হৈছে অনুচ্ছেদ ৩৫ৰ উপ-অনুচ্ছেদ (৪)ৰ অধীনত জাৰি কৰা ডিজিটেল স্বাক্ষৰৰ প্ৰমাণ-পত্ৰ।

ইলেক্ট্ৰনিক গঠন (Electronic Form) ঃ আইনখনৰ Sec. 2(1)(r) অনুসৰি ইলেক্ট্ৰনিক গঠন (Electronic Form) মানে হৈছে সঞ্চাৰ মাধ্যম, চুম্বকীয়, অপ্টিকেল, কম্পিউটাৰ মেম'ৰী, মাইক্ৰ' ফিল্ম, কম্পিউটাৰ জেনেৰেটেড মাইক্ৰ' ফিচ বা একে ধৰণৰ আহিলাত প্ৰস্তুত কৰা, পঠিওৱা, গ্ৰহণ কৰা বা জমা কৰি থোৱা তথ্য।

ইলেক্ট্ৰনিক গেজেট (Electronic Gazette) ঃ আইনখনৰ Sec. 2(1)(s) অনুসৰি ইলেক্ট্ৰনিক গেজেট (Electronic Gazette) মানে হৈছে বৈদ্যুতিন ৰূপত প্ৰকাশিত চৰকাৰী গেজেট।

ইলেক্ট্ৰনিক নথিভুক্তিকৰণ (Electronic Record) ঃ আইনখনৰ Sec. 2(1)(t) অনুসৰি ইলেক্ট্ৰনিক নথিভুক্তিকৰণ (Electronic Record) মানে হৈছে একোটা বৈদ্যুতিন ৰূপত বা মাইক্ৰ' ফিল্মত বা কম্পিউটাৰ জেনেৰেটেড মাইক্ৰ' ফিচত সৃষ্টি কৰা তথ্য, ৰেকর্ড বা তথ্য, জমা কৰি থোৱা বা প্ৰেৰণ-গ্ৰহণ কৰা চিত্ৰ বা শব্দ।

ইলেক্ট্ৰনিক হস্তাক্ষৰৰ (Electronic Signature) ঃ আইনখনৰ Sec. 2(1)(ta) অনুসৰি ইলেক্ট্ৰনিক হস্তাক্ষৰ (Electronic Signature) মানে হৈছে দ্বিতীয় অনুসূচীত স্পষ্ট কৰি দিয়া মতে, ইলেক্ট্ৰনিক প্ৰযুক্তিৰ জৰিয়তে একোজন গ্ৰাহকে (ছাবছক্ৰাইবাৰ) যিকোনো ইলেক্ট্ৰনিক ৰেকর্ডৰ সত্যতা প্ৰতিপন্ন কৰি কৰা ডিজিটেল স্বাক্ষৰ।

ফলন (Function) ঃ ধাৰা 2(1)(u) অনুসৰি ফলন (Function) মানে হৈছে একোটা কম্পিউটাৰৰ যোগেদি যুক্তি, নিয়ন্ত্ৰণ, অংক প্ৰণালী (Arithmatical Process) মচি পেলোৱা (Deletion), সঞ্চয় আৰু পুনৰুদ্ধাৰ (Retrieval) আৰু যোগাযোগ আৰু দূৰসংযোগ আদি সম্পন্ন কৰা।

ইনফৰমেচন (Information) **ঃ** আইনখনৰ Sec. 2(1)(v) অনুসৰি ইনফৰমেচন (Information)ত (তথ্য, মেছেজ, টেক্সট) চিত্ৰ, শব্দ, কণ্ঠ, সংকেত, কম্পিউটাৰ প্ৰগ্ৰেম, ছফ্‌টৱেৰ আৰু তথ্যবেছ বা মাইক্ৰ' ফিল্ম বা কম্পিউটাৰ জেনেৰেটেড মাইক্ৰ' ফিচ অন্তর্ভুক্ত।

মধ্যৱর্তী (Intermediary) ঃ আইনখনৰ Sec. 2(1)(w) অনুসৰি মধ্যৱর্তী (Intermediary) শব্দটো যিকোনো বৈদ্যুতিন তথ্যপাতি, এজন লোকৰ হৈ আন এজনে গ্রহণ কৰা, জমা কৰা বা সৰবৰাহ কৰা বুজায় আৰু এজনৰ হৈ আন এজনে উক্ত তথ্যপাতিৰ লগতে আন যিকোনো সেৱা আগবঢ়োৱা বুজায়। এনে লোকৰ ভিতৰত থাকে সেৱা প্রদানকাৰী, নেটৱর্ক সেৱা প্রদানকাৰী, ইণ্টাৰনেট সেৱা প্রদানকাৰী, ৱেব হস্তিং সেৱা প্রদানকাৰী, ছার্চ ইঞ্জিন, অনলাইন পেইমেণ্ট ছাইট, অনলাইন অপচন ছাইট, অনলাইন মার্কেট প্লেট আৰু চাইবাৰ কেফেসমূহ আছে।

চাবি যুগল (Key Pair) ঃ আইনখনৰ Sec. 2(1)(x) অনুসৰি একোটা এছিমেট্রিক ক্রিপ্ট' ছিষ্টেমত চাবি যুগল (Key Pair) মানে হৈছে এটা ব্যক্তিগত চাবি আৰু ইয়াৰ সৈতে গাণিতিকভাৱে সম্পর্কযুক্ত আন এটা ৰাজহুৱা চাবি, দুয়োটা এনেভাৱে সম্পর্কযুক্ত যে ব্যক্তিগত চাবিটোৰ দ্বাৰা সৃষ্টি কৰা একোটা ডিজিটেল স্বাক্ষৰ ৰাজহুৱা চাবিটোৰে পৰীক্ষা কৰিব পাৰি।

ইলেক্ট্রনিক গভার্ণেঞ্চ (Electronic Governance) ঃ Electronic Governance বুলিলে চৰকাৰী প্রতিষ্ঠানসমূহৰ কাম-কাজত তথ্য প্রযুক্তিৰ ব্যৱহাৰকে বুজায়। চৰকাৰী কাম-কাজত তথ্য প্রযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে স্বচ্ছতা আৰু সুস্থিৰতা আনিব পাৰি। ইয়াত চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাই ই-ছার্ভিচৰ একোটা নেটৱর্ক সৃষ্টি কৰি অনলাইনৰ জৰিয়তে বিভিন্ন সেৱা সহজলভ্য কৰি তোলাৰ লগতে বিভিন্ন নথিপত্রৰ ইলেক্ট্রনিক ফাইলিং কৰিব পাৰে। বর্তমান কোম্পানীসমূহৰ ক্ষেত্রত ইলেক্ট্রনিক ফাইলিং ব্যৱহাৰ কৰোতে ডিজিটেল স্বাক্ষৰ বাধ্যতামূলক কৰা হৈছে। ইয়াৰ জৰিয়তে কোম্পানীসমূহক বৈদ্যুতিন ৰূপত যিকোনো নথি-পত্র ফাইল কৰাৰ লগতে ইণ্টাৰনেট বেংকিং আৰু ক্রেডিট-ডেবিট কার্ডৰ ব্যৱহাৰেৰে মাচুল আদায়ৰ ক্ষেত্রত অনুমতি দিয়া হৈছে।

ই-গভার্ণেঞ্চৰ গুৰুত্বৰ প্রতি দৃষ্টি ৰাখি তথ্য প্রযুক্তি আইন, ২০০০ ৰ জৰিয়তে চৰকাৰী বিষয়াবর্গ আৰু সংস্থাসমূহৰ সৈতে বৈদ্যুতিন তথ্যপাতি, ডিজিটেল স্বাক্ষৰ আৰু বৈদ্যুতিন লেনদেনৰ ক্ষেত্রত বিধিগত স্বীকৃতি প্রদানৰ ব্যৱস্থা কৰা হৈছে। আইনখনে ই-গভার্ণেঞ্চৰ ক্ষেত্রত নিম্নোল্লিখিত ব্যৱস্থাৱলী আগবঢ়াইছে।

অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)



প্রশ্ন নং ১ ঃ তথ্য প্রযুক্তি আইনৰ অধীনস্থ ডিজিটেল স্বাক্ষৰৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ ঃ তথ্য প্রযুক্তি আইনৰ অধীনস্থ তথ্যৰ সংজ্ঞা দিয়ক।

.....

.....

.....

.....

৮.৬ ডিজিটেল আৰু ইলেক্ট্রনিক হস্তাক্ষৰৰ সৈতে জড়িত ব্যৱস্থাৱলী (PROVISIONS RELATING TO DIGITAL SIGNATURE AND ELECTRONIC SIGNATURE)

এই অধ্যায়ৰ আগৰ অনুচ্ছেদত আমি আইনখনৰ ব্যৱস্থাৱলী বুজি পোৱাত সহায়ক হ'ব পৰা বিভিন্ন সংজ্ঞাৰ বিষয়ে আলোচনা কৰিলো। এই অনুচ্ছেদত আমি ডিজিটেল স্বাক্ষৰ আৰু ইলেক্ট্রনিক স্বাক্ষৰ সম্পৰ্কীয় আইনখনৰ ব্যৱস্থাৱলী সম্পৰ্কে আলোচনা কৰিম।

৮.৬.১ বৈদ্যুতিন তথ্যপাতিৰ বিশ্বাসযোগ্যতা নিৰূপন (Authentication of Electronic Records)

তথ্য প্রযুক্তি আইনৰ অনুচ্ছেদ ৩ অনুসৰি যিকোনো লেনদেনকাৰীয়ে তেওঁৰ ডিজিটেল স্বাক্ষৰ সংলগ্ন কৰি বৈদ্যুতিন তথ্যপাতিৰ বিশ্বাসযোগ্যতা অর্পণ কৰিব পাৰে। বৈদ্যুতিন তথ্যৰ বিশ্বাসযোগ্যতা এছিমেট্রিক ক্রিপ্ট' ছিষ্টেম (Asymmetric Crypto System) আৰু হেছ ফাংচন (Hash Function)ৰ ব্যৱহাৰৰ জৰিয়তে কার্যকৰী হ'ব। এই পদ্ধতিয়ে প্রাৰম্ভিক বৈদ্যুতিন তথ্যক আন এটা বৈদ্যুতিন তথ্যলৈ ৰূপান্তৰ আৰু সন্নিৱিষ্ট কৰিব।

ব্যাখ্যা (Explanation) ঃ এই উপ-অনুচ্ছেদৰ উদ্দেশ্য অনুসৰি Hash Functionৰ অর্থ হৈছে এটা Sequence of Bitsক আন এটালৈ অনুবাদ কৰা বা Algorithm Mapping কৰা, সাধাৰণতে এনেকুৱা সৰু ছেটক Hash Result বুলি জনা যায়, এনেদৰে একেটা বৈদ্যুতিন তথ্যত যিমানবাৰেই Algorithm কার্যকৰী কৰা হয়, সিমানবাৰেই একোটা বৈদ্যুতিন তথ্যই একে ধৰণৰ Hash Result ৰ জন্ম দিয়ে, যিহেতু ইয়াৰ নিবেশে ইয়াক সংগণানাত্মিকভাৱে—

ক) Algorithmএ উৎপন্ন কৰা Hash Resultৰ পৰা মূল বৈদ্যুতিন তথ্যটো উলিয়াবলৈ বা পুনৰ নির্মাণ কৰিবলৈ;

খ) Algorithm ব্যৱহাৰ কৰি দুটা বৈদ্যুতিন তথ্যই একেটা Hash Result উৎপন্ন কৰাটো অসম্ভব কৰি তোলে।

যিকোনো লোকে লেনদেনকাৰীৰ একোটা ৰাজহুৱা চাবি ব্যৱহাৰৰ জৰিয়তে বৈদ্যুতিন তথ্য পৰীক্ষা কৰিব পাৰে। লেনদেনকাৰীৰ হাতত থকা ব্যক্তিগত চাবি আৰু ৰাজহুৱা চাবি সম্পূর্ণৰূপে একক আৰু অনন্য আৰু ইয়াৰ জৰিয়তে একোটা কার্যকৰী চাবি যুগল (Key Pair) গঠন কৰা হয়।

৮.৬.২ বৈদ্যুতিন স্বাক্ষৰ (Electronic Signature)

আইনখনৰ Sec. 3Aত বৈদ্যুতিন স্বাক্ষৰ সম্পৰ্কীয় ব্যৱস্থাৱলী উল্লেখ আছে, য'ত কোৱা হৈছে—

অনুচ্ছেদ তিনিত উল্লেখ নথকা অথচ উপ অনুচ্ছেদ (২)ৰ ব্যৱস্থাৱলীৰ অধীনস্থ যিকোনো বিষয়ত লেনদেনকাৰীয়ে এনে ধৰণৰ বৈদ্যুতিন স্বাক্ষৰ বা বৈদ্যুতিন বিশ্বাসযোগ্যতা নিৰ্দ্ধপণ প্রযুক্তিৰ জৰিয়তে বিশ্বাসযোগ্যতা অর্পণ কৰিব পাৰিব, যিবিলাক—

ক) বিশ্বাসযোগ্য বুলি বিবেচিত হয়; আৰু

খ) দ্বিতীয় অনুসূচী [Sec. 3 A(1)]ত নির্দিষ্ট কৰিব পাৰে।

এই অনুচ্ছেদৰ উদ্দেশ্য অনুসৰি যিকোনো বৈদ্যুতিন স্বাক্ষৰ বা বৈদ্যুতিন বিশ্বাসযোগ্যতা নিৰ্দ্ধপণ প্রযুক্তি তেতিয়াহে উপযুক্ত বুলি বিবেচিত হ'ব, যদিহে—

ক) স্বাক্ষৰ সৃষ্টি কৰা তথ্য আৰু বিশ্বাসযোগ্যতা নিৰ্দ্ধপণকাৰী তথ্য ব্যৱহৃত নথি-পত্রত স্বাক্ষৰকাৰীৰ সৈতে সম্পর্কযুক্ত হ'ব লাগিব অথবা বিশ্বাসযোগ্যতা নিৰ্দ্ধপণকাৰীৰ সৈতে সংলগ্ন হ'ব লাগিব, ইয়াৰ অন্যথা অন্য লোকৰ সৈতে সংলগ্ন হ'লে নহ'ব;

খ) স্বাক্ষৰ সৃষ্টিকাৰী তথ্য অথবা বিশ্বাসযোগ্যতা নিৰ্দ্ধপণকাৰী তথ্য, স্বাক্ষৰ কৰাৰ সময়ত, স্বাক্ষৰকাৰীৰ নিয়ন্ত্রণাধীন হ'ব লাগিব, প্রয়োজনীয় ক্ষেত্রত বিশ্বাসযোগ্যতা নিৰ্দ্ধপণকাৰীৰ নিয়ন্ত্রণাধীন হ'ব লাগিব, ইয়াৰ অন্যথা অন্য লোকৰ নিয়ন্ত্রণাধীন হ'লে নহ'ব;

গ) নথিপত্রত সংলগ্ন কৰাৰ পিছত বৈদ্যুতিন স্বাক্ষৰৰ কোনো পৰিৱর্তন সাধিত হ'লে সেয়া ধৰা পেলাব পৰা হ'ব লাগিব;

ঘ) বৈদ্যুতিন স্বাক্ষৰৰ জৰিয়তে বিশ্বাসযোগ্যতা প্রদান কৰাৰ পিছত তথ্যৰ কোনো পৰিৱর্তন সাধিত হ'লে সেয়া ধৰা পেলাব পৰা হ'ব লাগিব; আৰু

ঙ) [Sec. 3 A(2)] ত উল্লিখিত অন্যান্য চর্তাৱলী পূৰণ কৰিব লাগিব।

নথি-পত্রত সংলগ্ন অথবা বিশ্বাসযোগ্যতা নিৰ্দ্ধপিত বৈদ্যুতিন স্বাক্ষৰ প্রকৃত স্বাক্ষৰকাৰীৰ হয়নে নহয় সেয়া নিৰ্দ্ধপণ কৰিবৰ বাবে অৱলম্বন কৰিবলগীয়া পদ্ধতি সম্পর্কে কেন্দ্রীয় চৰকাৰে পৰামর্শ প্রদান কৰিব পাৰে। [Sec. 3 A(3)]

কেন্দ্রীয় চৰকাৰে চৰকাৰী গেজেটত জাননী দি যিকোনো বৈদ্যুতিন স্বাক্ষৰ বা বৈদ্যুতিন বিশ্বাসযোগ্যতা নিৰ্দ্ধপণ পদ্ধতিত সংযোজন বা প্রত্যাহাৰ কৰিব পাৰে আৰু দ্বিতীয় অনুসূচী অনুসৰি এনে ধৰণৰ স্বাক্ষৰ সংলগ্ন কৰাৰ পদ্ধতি অনুসৰণ কৰিব পাৰে; কোৱা হৈছে যে দ্বিতীয় অনুসূচীৰ নির্দিষ্ট কৰি নিদিয়া বৈদ্যুতিন স্বাক্ষৰ অথবা বিশ্বাসযোগ্যতা নিৰ্দ্ধপণ প্রযুক্তি নির্ভৰযোগ্য হিচাপে বিবেচিত নহয়। [Sec. 3 A(4)]

উপ-অনুচ্ছেদ (৪)ৰ অধীনত জাৰি কৰা প্রতিটো অধিসূচনা সংসদৰ প্রতিখন সদনত উত্থাপন কৰিব লাগিব। [Sec 3 A(5)]

৮.৭ বৈদ্যুতিন তথ্যপাতি (ELECTRONIC RECORDS)

আইনখনৰ Sec. 2(1)(t) অনুসৰি Electronic Record মানে হৈছে একোটা বৈদ্যুতিন ৰূপত বা মাইক্র' ফিল্মত বা কম্পিউটাৰ জেনেৰেটেড মাইক্র' ফিচত সৃষ্টি কৰা তথ্য, জমা কৰি

থোৱা বা প্রেৰণ-গ্রহণ কৰা চিত্র বা শব্দ। আমি ইতিমধ্যে বৈদ্যুতিন তথ্যপাতিৰ বিশ্বাসযোগ্যতা নিৰূপণ সম্পৰ্কীয় ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিলো। এতিয়া আমি তলৰ দফাত বৈদ্যুতিন তথ্যপাতি সম্পৰ্কীয় অন্যান্য ব্যৱস্থাৱলী সম্পৰ্কে আলোচনা কৰিম।

৮.৭.১ বৈদ্যুতিন তথ্যপাতিৰ আইনগত স্বীকৃতি (Legal recognition of Electronic Records) (Sec. 4)

যদি কোনো তথ্য বা যিকোনো বিষয় লিখিত অথবা টাইপ কৰা অথবা ছপা ৰূপত থাকিব লাগিব বুলি আইনগত বিধান থাকে, তেনেহ'লে তেনে তথ্যসমূহে সেই বিধানসমূহ পুৰণ কৰা বুলি ধৰি লোৱা হয়, যদিহে তেনে ধৰণৰ তথ্য বা বিষয়—

ক) একোটা বৈদ্যুতিন ৰূপত উপলব্ধ কৰোৱা হয়; আৰু

খ) কোনো কাম-কাজৰ ক্ষেত্রত প্রয়োজন সাপেক্ষে ব্যৱহাৰযোগ্য কৰি তোলা হয়।

৮.৭.২ বৈদ্যুতিন স্বাক্ষৰৰ আইনগত স্বীকৃতি (Legal recognition of electronic signatures) (Sec. 5)

আইনখনৰ Sec. 5 অনুসৰি, যিবোৰ ক্ষেত্রত বিধিগতভাৱে কোনো তথ্য বা যিকোনো বিষয়ক স্বাক্ষৰ সংলগ্ন কৰি বিশ্বাসযোগ্যতা প্রদান কৰা হয় অথবা কোনো নথিপত্রত স্বাক্ষৰ কৰা হয় অথবা কোনো লোকৰ স্বাক্ষৰ বহন কৰিবলগীয়া হয়, তেনে ক্ষেত্রত সংশ্লিষ্ট বিধি অনুসৰি স্বাক্ষৰ থাকিব লাগিব, যদিহে তেনে ধৰণৰ তথ্য বা বিষয় সংযোজিত বৈদ্যুতিন স্বাক্ষৰৰ জৰিয়তে বিশ্বাসযোগ্যতা প্রদান কৰা হয় তেনে ক্ষেত্রত সেয়া কি পদ্ধতিৰে কৰা হ'ব সেই কথা কেন্দ্রীয় চৰকাৰৰ পৰামর্শ অনুসৰি নির্ধাৰিত হ'ব।

ব্যাখ্যা (Explanation) ঃ এই অনুচ্ছেদৰ উদ্দেশ্য পূৰণৰ বাবে, 'স্বাক্ষৰিত' (Signed) শব্দটোৰ আভিধানিক আৰু উদ্দেশ্যসম্বলিত অর্থ বুজোৱা হয় একোজন লোকৰ প্রসংগৰে, অর্থাৎ যিকোনো নথিপত্রত তেওঁৰ হস্তাক্ষৰৰ স্বাক্ষৰ অথবা যিকোনো চিহ্ন হিচাপে, আৰু সেই অনুসৰি 'স্বাক্ষৰ' (Signature) শব্দৰ অর্থ প্রযোজ্য হয়।

৮.৭.৩ চৰকাৰ আৰু ইয়াৰ সংস্থাসমূহত বৈদ্যুতিন তথ্যপাতি আৰু বৈদ্যুতিন স্বাক্ষৰৰ ব্যৱহাৰ (Use of Electronic Records and Electronic Signatures in Government and its Agencies)

আইনখনৰ Sec. 6 অনুসৰি যেতিয়া বিধিগতভাৱে যিকোনো প্রপত্র, আবেদন অথবা আন যিকোনো নথিপত্র চৰকাৰৰ দ্বাৰা নিয়ন্ত্রিত কোনো কার্যালয়, কর্তৃপক্ষ, সমিতি বা সংস্থাই এক বিশেষ পদ্ধতিৰে ব্যৱহাৰ কৰিবলগীয়া হয়; আৰু যিকোনো অনুজ্ঞা-পত্র, অনুমতি পত্র, আবণ্টন অথবা অনুমোদন আদি কৰিবলগীয়া হয়; আৰু নির্দিষ্ট পদ্ধতিত ধনৰ লেনদেন কৰিবলগীয়া হয়, তেতিয়া বাধ্যতামূলক হিচাপে কোনো ধৰণৰ

বিধান নাথাকিলে, ফাইল কৰা, জাৰি কৰা, মঞ্জুৰ কৰা, ধন গ্রহণ বা পৰিশোধ ইত্যাদি ক্ষেত্রত বৈদ্যুতিন প্রপত্র চৰকাৰী নীতি-নিয়ম অনুসৰি ব্যৱহাৰ কৰা হয়। কর্তৃত্বশীল চৰকাৰে নীতি-নিয়মৰ জৰিয়তে এনে পৰামর্শ দিব পাৰে—

ক) পূৰণ কৰিবলগীয়া, প্রস্তুত কৰিবলগীয়া বা জাৰি কৰিবলগীয়া এনে ধৰণৰ বৈদ্যুতিন তথ্যপাতিৰ ধৰণ আৰু আৰ্হি কেনেকুৱা হ'ব;

খ) ওপৰত উল্লিখিত যিকোনো বৈদ্যুতিন তথ্য Clause(a)ৰ অধীনত পূৰণ কৰিবলৈ, প্রস্তুত কৰিবলৈ অথবা জাৰি কৰিবলৈ যিকোনো ধৰণৰ মাচুলৰ ধৰণ আৰু পদ্ধতি কেনেকুৱা হ'ব।

৮.৭.৪ বৈদ্যুতিন তথ্যপাতিৰ সংৰক্ষণ (Retention of Electronic Records)

আইনখনৰ Sec. 7ত কোৱা হৈছে যে যেতিয়া কোনো নথিপত্র, তথ্য পাতি আদি নির্দিষ্ট সময়ৰ বাবে সংৰক্ষণ কৰি ৰখা হ'ব বুলি নির্ধাৰিত থাকিব, তেতিয়া সকলো পক্ষৰে সন্মতি সাপেক্ষে এনে ধৰণৰ নথি-পত্র বা তথ্য পাতি বৈদ্যুতিন ৰূপত ৰাখিব পৰা যাব, যদিহে—

ক) উল্লিখিত নথি-পত্রত থকা তথ্য সংশ্লিষ্ট প্রসংগত অধিক ব্যৱহাৰযোগ্য কৰি তুলিব পৰাকৈ সহজলভ্য হোৱাৰ উপযুক্ত;

খ) আৰম্ভণিতে যি ধৰণে প্রস্তুত কৰা হৈছিল তেনে আৰ্হিতেই বৈদ্যুতিন তথ্য ৰখা হ'ব, যাক আৰম্ভণিতে প্রস্তুত কৰা, প্রেৰণ কৰা অথবা গ্রহণ কৰা ৰূপত পুনৰ উপস্থাপন কৰিব পৰা হ'ব;

গ) মূল নথিপত্রৰ চিনাক্তকৰণ, ইয়াৰ মূল লক্ষ্য, লেনদেনৰ তাৰিখ আৰু সময় পুনৰ প্রস্তুত কৰা বৈদ্যুতিন তথ্যপাতিতো একেদৰে উপলব্ধ হ'ব লাগিব—

কোৱা হৈছে যে একোটা বৈদ্যুতিন তথ্যৰ আদান-প্রদান বা গ্রহণৰ উদ্দেশ্যে বৈদ্যুতিন পদ্ধতিত স্বয়ংক্রিয়ভাৱে প্রস্তুত হোৱা কোনো তথ্য ইয়াত প্রযোজ্য নহ'ব। বৈদ্যুতিন তথ্যপাতিৰ ৰূপত থকা নথি-পত্র, তথ্য আদিৰ ক্ষেত্রত বিধিগতভাৱে উল্লেখ নথকা আইনী ব্যৱস্থাৱলী প্রযোজ্য নহ'ব।

৮.৭.৫ বৈদ্যুতিন স্বাক্ষৰৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰৰ নীতি-নিয়ম প্রস্তুত কৰাৰ ক্ষমতা (Power to Make Rules by Central Government in Respect of Electronic Signature)

আইনখনৰ Sec. 10 অনুসৰি বৈদ্যুতিন স্বাক্ষৰৰ ক্ষেত্রত নীতি-নিয়ম প্রস্তুত কৰিবলৈ কেন্দ্রীয় চৰকাৰক ক্ষমতা প্রদান কৰা হৈছে। সেই মতে কেন্দ্রীয় চৰকাৰে তলত দিয়া বিষয়সমূহ নির্ণয় কৰিব পাৰে ঃ

ক) বৈদ্যুতিন স্বাক্ষৰৰ ধৰণ;

খ) বৈদ্যুতিন স্বাক্ষৰ সংলগ্ন কৰাৰ পদ্ধতি আৰু আৰ্হি;

গ) বৈদ্যুতিন স্বাক্ষৰ সংলগ্ন কৰা লোকজনৰ পৰিচয় নিশ্চিত কৰাৰ ধৰণ আৰু প্রক্রিয়া;

ঘ) বৈদ্যুতিন তথ্যপাতি অথবা ধনৰ লেনদেনৰ যথার্থতা, সম্পর্ক, নিৰাপত্তা আৰু গোপনীয়তা নিশ্চিত কৰিবলৈ নিয়ন্ত্রণৰ প্রক্রিয়া আৰু পদ্ধতি; আৰু

ঙ) বৈদ্যুতিন স্বাক্ষৰক আইনগতভাৱে কার্যকৰী কৰিবলগীয়া আৱশ্যকীয় আন যিকোনো বিষয়।

৮.৮ বৈদ্যুতিন তথ্যপাতিৰ আৰোপন, স্বীকৃতি আৰু আদান-প্রদান (ATTRIBUTION, ACKNOWLEDGEMENT AND DISPATCH OF ELECTRONIC RECORDS)

৫.৮.১ বৈদ্যুতিন তথ্যপাতিৰ আৰোপণ (Attribution of Electronic Records)

আইনখনৰ Sec. 11 অনুসৰি, একোটা বৈদ্যুতিন তথ্য তেতিয়াহে মূল ব্যক্তিজনৰ দ্বাৰা আৰোপিত বুলি গণ্য হ'ব যেতিয়া মূল ব্যক্তিজনে নিজে অথবা তেওঁৰ হৈ তেনে কাম কৰিবলৈ অধিকাৰ প্রাপ্ত কোনো লোকে সংশ্লিষ্ট বৈদ্যুতিন তথ্য প্রেৰণ কৰে; বা মূল ব্যক্তিজনৰ হৈ স্বয়ংক্রিয়ভাৱে কার্যকৰী হোৱাকৈ বৈদ্যুতিন পদ্ধতিত মূল ব্যক্তিজনে নিজে কোনো তথ্য পদ্ধতি কার্যক্ষম কৰি ৰাখিলে সেয়া তেওঁৰ দ্বাৰাই আৰোপিত বুলি গণ্য হ'ব।

৮.৮.২ বৈদ্যুতিন তথ্যপাতিৰ প্রাপ্তি স্বীকাৰ (Acknowledgment of Receipt of Electronic Records)

আইনখনৰ Sec. 12ত কোৱা হৈছে যে যেতিয়া মূল ব্যক্তিজনে কোনো নির্দিষ্ট ৰূপত বা কোনো নির্দিষ্ট পদ্ধতিৰে প্রেৰিত কোনো বৈদ্যুতিন তথ্যপাতি প্রাপ্তি স্বীকাৰ কৰোতাজনৰ সৈতে সম্মতি প্রকাশ নকৰে তেনে ক্ষেত্রত তথ্যপাতিত উল্লিখিত ঠিকনাৰ লোকজনে অন্য যিকোনো যোগাযোগ মাধ্যমৰ জৰিয়তে প্রাপ্তি স্বীকাৰ কৰিবলগীয়া হয়। মূল ব্যক্তিজনে প্রেৰণ কৰা বৈদ্যুতিন তথ্যপাতি গ্রহণ কৰিবলগীয়া লোকজনে প্রাপ্তি স্বীকাৰ কৰাৰ ক্ষেত্রত বৈদ্যুতিন পদ্ধতিক স্বয়ংক্রিয়ভাৱে কার্যক্ষম আন কোনো পদ্ধতিৰ জৰিয়তে মূল ব্যক্তিজনৰ অৱগত হোৱাকৈ প্রাপ্তি স্বীকাৰ কৰিব লাগে। [Sec. 12 (1)]

যেতিয়া মূল ব্যক্তিজনে নির্ধাৰণ কৰিব যে বৈদ্যুতিন তথ্য প্রাপ্তি স্বীকাৰ কৰিলেহে কার্যকৰী কৰিবলৈ উপযুক্ত হ'ব তেনে ক্ষেত্রত গ্রহণ কৰোতাজনৰ তৰফৰ

পৰা মূল ব্যক্তিজনে প্রাপ্তি স্বীকাৰৰ নিশ্চয়তা লাভ নকৰিলে বৈদ্যুতিন তথ্য মূল ব্যক্তিজনে প্রেৰণ নকৰা বুলি ধৰি লোৱা হ'ব। [Sec. 12 (2)]

যেতিয়া মূল ব্যক্তিজনে এই কথা নির্দিষ্ট নকৰিব যে এনে ধৰণৰ প্রাপ্তি স্বীকাৰৰ জৰিয়তেহে বৈদ্যুতিন তথ্য কার্যকৰী কৰাৰ উপযুক্ত হ'ব, আৰু মূল ব্যক্তিজনে পূর্ব নির্ধাৰিত বা চুক্তিবদ্ধ সময় সীমাৰ ভিতৰত যদিহে প্রাপ্তি স্বীকাৰ লাভ নকৰে, অথবা একোটা নির্ধাৰিত সময়সীমা সন্দর্ভত পূর্বতে যদি চুক্তিবদ্ধ কৰা নাথাকে, তেনে ক্ষেত্রত মূল ব্যক্তিজনে যিজনলৈ বৈদ্যুতিন তথ্য প্রেৰণ কৰা হয় তেওঁক প্রাপ্তি স্বীকাৰ লাভ নকৰাৰ বিষয়ে উল্লেখ কৰি জাননী দিব পাৰে আৰু প্রাপ্তি স্বীকাৰ প্রেৰণ কৰিবৰ বাবে এক নির্দিষ্ট সময়সীমা বান্ধি দিব পাৰে। আৰু তাৰ পিছতো যদি পূর্বনির্ধাৰিত সময়সীমাৰ ভিতৰত প্রাপ্তি স্বীকাৰ মূল ব্যক্তিজনে লাভ নকৰে তেন্তে তেওঁ বৈদ্যুতিন তথ্য পাতি যালৈ প্রেৰণ কৰে তেওঁলৈ জাননী প্রেৰণ কৰি বৈদ্যুতিন তথ্য কোনো কালে প্রেৰণ নকৰা বুলি গণ্য কৰিব পাৰে। [Sec 12 (3)]

৮.৮.৩ বৈদ্যুতিন তথ্য প্রেৰণ আৰু গ্রহণৰ সময় আৰু স্থান (Time and Place of Dispatch and Receipt of Electronic Record)

আইনখনৰ Sec. 13 অনুসৰি, মূল ব্যক্তি (Originator) আৰু যিজনলৈ প্রেৰণ কৰা হয় তেওঁ (Addressee) এই দুয়োজনৰে মাজত অন্য কোনো চুক্তি নাথাকিলে, একোটা বৈদ্যুতিন তথ্যৰ প্রেৰণ তেতিয়াই সম্পাদিত হয়, যেতিয়াই ই মূল ব্যক্তিজনৰ নিয়ন্ত্রণৰ পৰা বাহিৰত থকা একোটা কম্পিউটাৰ ৰিছ'র্চত প্রৱেশ কৰে। [Sec. 13(1)]

মূল ব্যক্তি (Originator) আৰু যিজনলৈ প্রেৰণ কৰা হয় তেওঁ (Addressee) এই দুয়োজনৰে মাজত অন্য কোনো চুক্তি নাথাকিলে, একোটা বৈদ্যুতিন তথ্য গ্রহণৰ সময় তলত দিয়াৰ দৰে নির্ধাৰণ কৰা হ'ব—

ক) যদি বৈদ্যুতিন তথ্য পাতি গ্রহণৰ উদ্দেশ্যে Addresseeয়ে একোটা কম্পিউটাৰ ৰিছ'র্চ ব্যৱহাৰ কৰে— তথ্যৰ প্রাপ্তি তেতিয়াই সংঘটিত হয়, যেতিয়া তেওঁৰ দ্বাৰা ব্যৱহৃত কম্পিউটাৰ ৰিছ'র্চত সেই বৈদ্যুতিন তথ্য প্রৱেশ কৰে; অথবা যদিহে বৈদ্যুতিন তথ্যটো Addresseeৰ কোনো এটা কম্পিউটাৰ ৰিছ'র্চলৈ প্রেৰণ কৰা হয় অথচ সেইটো তেওঁৰ প্রাপ্তি স্বীকাৰৰ বাবে ব্যৱহৃত কম্পিউটাৰ ৰিছ'র্চ নহয়, তেনে ক্ষেত্রত যেতিয়া Addressee য়ে বৈদ্যুতিন তথ্যটো গ্রহণ কৰে তেতিয়াই ই প্রাপ্ত বুলি গণ্য হয়।

খ) যদি Addresseeয়ে নির্দ্ধাৰিত সময়সহ একোটা কম্পিউটাৰ ৰিছ'র্ছৰ ব্যৱস্থা নাৰখে তেনে অৱস্থাত কোনোধৰণৰ বৈদ্যুতিন তথ্য তেওঁৰ কম্পিউটাৰ ৰিছ'র্ছত সোমালে প্রাপ্তি সংঘটিত হয়। [Sec. 13(2)]

Originator আৰু Addresseeৰ মাজত অন্যধৰণে চুক্তি সম্পাদিত হ'লে একোটা বৈদ্যুতিন তথ্য সেই স্থানৰ পৰা প্রেৰণ কৰা বুলি ধৰি লোৱা হয়,

য'ত Originatorৰ ব্যৱসায় থাকে আৰু সেই স্থানত প্ৰাপ্তি হোৱা বুলি ধৰা হয় য'ত Addresseeৰ ব্যৱসায় থাকে।

উপ অনুচ্ছেদ (৩)ৰ অধীনত যি স্থানত বৈদ্যুতিন তথ্যটো প্ৰাপ্ত হোৱা বুলি ধৰা হয় সেই স্থানৰ বাহিৰে অন্য স্থানতো কম্পিউটাৰ ৰিছ'ৰ্চটো থাকিব পাৰে আৰু তেতিয়াও উপ অনুচ্ছেদ (২) প্ৰযোজ্য হ'ব। [Sec. 13(4)]

এই অনুচ্ছেদ অনুসৰি ঃ

ক) যদি Originator আৰু Addresseeৰ ব্যৱসায়ৰ স্থান একাধিক থাকে, ব্যৱসায়ৰ মূল ঠাইখনেই, ব্যৱসায়ৰ স্থান হিচাপে গণ্য কৰা হ'ব।

খ) যদি Originator আৰু Addressee ব্যৱসায়ৰ স্থান নাথাকে তেওঁৰ সচৰাচৰ থকা স্থানকে ব্যৱসায়ৰ স্থান বুলি ধৰা হ'ব।

গ) একোটা কৰ্পৰেট সমিতিৰ ক্ষেত্ৰত সচৰাচৰ থকা স্থান বুলিলে ই পঞ্জীকৃত হোৱা স্থানক বুজাব।

৮.৮.৪ নিৰাপত্তাযুক্ত বৈদ্যুতিন তথ্য (Secure Electronic Record)

একোটা নিৰ্দিষ্ট সময়ত যেতিয়া একোটা বৈদ্যুতিন তথ্যৰ নিৰাপত্তা ব্যৱস্থা কৰা হয়, তেতিয়া তেনে সময়ৰ পৰা পুনৰীক্ষণৰ সময়লৈ সেই তথ্যক নিৰাপত্তাযুক্ত বৈদ্যুতিন তথ্য বুলি গণ্য কৰা হ'ব। [Sec. 14]

৮.৮.৫ বৈদ্যুতিন স্বাক্ষৰৰ নিৰাপত্তা (Secure Electronic Signature)

একোটা বৈদ্যুতিন স্বাক্ষৰক নিৰাপত্তাযুক্ত বৈদ্যুতিন স্বাক্ষৰ বুলি ধৰা হ'ব যেতিয়া কোনো নথি-পত্ৰত সংলগ্ন কৰা স্বাক্ষৰটো সৃষ্টি কৰা তথ্য স্বাক্ষৰকাৰীৰ বিশেষ নিয়ন্ত্ৰণৰ অধীনত থাকে, অন্য কোনো লোকৰ নিয়ন্ত্ৰণত নহয় আৰু স্বাক্ষৰ সৃষ্টি কৰা তথ্য এনেভাৱে সংৰক্ষিত আৰু সংযোজিত কৰা হয় যাৰ ব্যাখ্যা আগবঢ়াব পাৰি। ডিজিটেল স্বাক্ষৰৰ ক্ষেত্ৰত স্বাক্ষৰ সৃষ্টি কৰা তথ্য বুলিলে Subscriber ব্যক্তিগত চাবিক বুজোৱা হয়। (Sec. 15)

৮.৯ প্ৰমাণ-পত্ৰ প্ৰদানকাৰী কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণ (REGULATION OF CERTIFYING AUTHORITIES)

৮.৯.১ নিয়ন্ত্ৰক আৰু অন্য পদাধিকাৰীৰ নিযুক্তি (Appointment of Controller and Other Officers)

তথ্য প্ৰযুক্তি আইনৰ Section 17ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে চৰকাৰী গেজেটত জাননী দি এই আইনৰ উদ্দেশ্য সাধন কৰে প্ৰমাণ-পত্ৰ প্ৰদানকাৰী কৰ্তৃপক্ষৰ

এজন নিয়ন্ত্রক (Controller) নিযুক্তি দিব পাৰে আৰু একেটা বা পৰৱৰ্তী জাননীত প্রয়োজনসাপেক্ষে এক বা একাধিক উপ নিয়ন্ত্রক, সহকাৰী নিয়ন্ত্রক, অন্যান্য বিষয়া আৰু কর্মচাৰীসকলক নিযুক্তি দিব পাৰে।

৮.৯.২ নিয়ন্ত্রকৰ কার্যাৱলী (Functions of Controller)

আইনখনৰ Section 18ৰ অধীনত নিয়ন্ত্রকে নিম্নোল্লিখিত সকলো বা যিকোনো কাম কৰিব পাৰে।

ক) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কার্যকলাপৰ তত্বাৱধান লোৱা।

খ) প্রমাণ-পত্র প্রদানকাৰীৰ ৰাজহুৱা চাবিৰ প্রমাণ-পত্র দিয়া।

গ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ মানদণ্ড নিৰূপণ কৰা।

ঘ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই কামত লগোৱা কর্মচাৰীৰ অর্হতা আৰু অভিজ্ঞতা নির্ধাৰণ কৰা।

ঙ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কাম-কাজৰ নির্দিষ্ট কৰা, যাৰ ওপৰত নির্ভৰ কৰি প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ ব্যৱসায় কৰিব।

চ) একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র আৰু ৰাজহুৱা চাবিৰ ক্ষেত্রত বিতৰণ বা ব্যৱহাৰ কৰিব পৰা লিখিত, ছপা বা দৃশ্য বিষয়বস্তু আৰু বিজ্ঞাপনৰ সূচীসমূহ নির্দিষ্ট কৰা;

ছ) একোটা ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র আৰু চাবিটোৰ গঠন আৰু সূচী নির্দিষ্ট কৰা;

জ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই হিচাপ-নিকাচত অৱস্বন কৰিবলগীয়া পদ্ধতি আৰু প্রক্রিয়া নির্দিষ্ট কৰা;

ঝ) হিচাপ পৰীক্ষকসকলক নিযুক্ত কৰিব পৰা আৰু তেওঁলোকক মাননী দিব লগা চর্তাৱলী নির্দিষ্ট কৰা;

ঞ) একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই নিজে নে আন তেনে কর্তৃপক্ষৰ সৈতে যুটীয়াভাৱে কোনো বৈদ্যুতিন পদ্ধতি প্রতিষ্ঠা কৰিব তাৰ লগতে তেনে পদ্ধতিৰ নীতি-নিয়ম কি হ'ব সেয়া নির্ণয় কৰা;

ট) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই গ্রাহক (Subscriber) সকলৰ সৈতে কেনেধৰণে লেনদেন কৰিব সেয়া নির্ণয় কৰা;

ঠ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষ আৰু গ্রাহক (Subscriber)ৰ মাজৰ যিকোনো সংঘাত মীমাংসা কৰা;

ড) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কর্তব্য নির্ধাৰণ কৰা;

ঢ) প্রতিটো প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ প্রকাশযোগ্য তথ্য সম্বলিত একোটা তথ্যবেছ ব্যৱস্থা কৰি নিয়মানুসাৰে নির্ধাৰিত ৰাজহুৱা তথ্যপাতি চোৱাচিতা কৰা।

৮.৯.৩ বিদেশী প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ স্বীকৃতি (Recognition of Foreign Certifying Authorities)

নিয়মানুসাৰে নির্দিষ্ট কৰিব পৰা ধৰণৰ চর্তাৱলী আৰু নিষেধাজ্ঞা অনুসৰি, কেন্দ্রীয় চৰকাৰৰ আগতীয়া অনুমোদন অনুসৰি চৰকাৰী গেজেটত জাননী জাৰি কৰি নিয়ন্ত্রকে আইনখনৰ উদ্দেশ্য মতে যিকোনো বিদেশী প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষক প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষ হিচাপে স্বীকৃতি প্রদান কৰিব পাৰে। কোনো প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষ স্বীকৃত হ'লে আইন অনুসৰি এনে ধৰণৰ প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই জাৰি কৰা বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র বৈধ হ'ব।

কোনো প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই, যিবোৰ চর্তাৱলী আৰু নিষেধাজ্ঞা মানি চলাৰ ভিত্তিত তেওঁক স্বীকৃতি প্রদান কৰা হৈছিল, সেইবোৰ ভংগ কৰা বুলি নিয়ন্ত্রকে অনুভৱ কৰিলে, তেনে ক্ষেত্রত চৰকাৰী গেজেটত জাননী জাৰি কৰি তেনে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ স্বীকৃতি বাতিল কৰিব পাৰে। (Sec. 19)



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৩ ঃ আই টি এক্টৰ অধীনত সুৰক্ষিত বৈদ্যুতিন তথ্য কি?

.....

.....

.....

প্রশ্ন নং ৪ ঃ নিয়ন্ত্রকৰ দুটা কার্য উল্লেখ কৰক।

.....

.....

৮.৯.৪ বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রদানৰ বাবে অনুজ্ঞা-পত্র (Licence to Issue Electronic Signature Certificates)

আইনখনৰ ব্যৱস্থাৱলী অনুসৰি, ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰিবলৈ একোখন অনুজ্ঞা-পত্রৰ বাবে যিকোনো লোকে নিয়ন্ত্রকলৈ আবেদন কৰিব পাৰে।

ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰিবৰ বাবে আৱশ্যকীয় কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰা অর্হতা, বিশেষত্ব, মানৰ শক্তি, বিত্তীয় সম্পদ আৰু আন আৱশ্যকীয় আন্তঃগাঁথনিৰ সুবিধা আদিৰ ক্ষেত্রত থকা আৱশ্যকতা আবেদনকাৰীয়ে পূৰণ কৰিব নোৱাৰিলে অনুজ্ঞা-পত্র প্রদান কৰা নহয়।

কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰি দিয়া সময়সীমাৰ বাবে এই অনুচ্ছেদৰ অধীনত প্রদান কৰা অনুজ্ঞা-পত্রৰ ম্যাদ থাকিব, যি হস্তান্তৰযোগ্য নহয় আৰু নিয়মানুসাৰে নির্ধাৰিত চর্তাৱলী অনুসৰি প্রযোজ্য। (Sec. 21)

৮.৯.৫ অনুজ্ঞা-পত্রৰ বাবে আবেদন (Application for Licence)

১) একোখন অনুজ্ঞা-পত্রৰ বাবে জনোৱা আবেদন কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰা ধৰণৰ হ'ব লাগিব আৰু আবেদনৰ লগত ঃ

ক) প্রমাণ-পত্র প্রদান অনুশীলনৰ এক বিৱৰণ;

খ) আবেদনকাৰীৰ পৰিচয় সম্পর্কীয় এক বিৱৰণসহ পদ্ধতিসমূহৰ বর্ণনা;

গ) কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰা মতে এনে মাচুলৰ পৰিশো, পঁচিশ হাজাৰ টকাতকৈ অধিক নহয়;

ঘ) কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰা মতে অন্যান্য নথিপত্র থাকিব লাগিব। (Sec. 22)

৮.৯.৬ অনুজ্ঞা-পত্রৰ নবীকৰণ (Renewal of Licence)

একোখন অনুজ্ঞা-পত্রৰ নবীকৰণৰ বাবে জনোৱা আবেদন আৰু ইয়াৰ লগত দিব লগা মাচুল কেন্দ্রীয় চৰকাৰে নির্ধাৰণ কৰি দিয়া ধৰণৰ হ'ব লাগিব আৰু মাচুল পাঁচ হাজাৰ টকাৰ অধিক হ'ব নালাগিব আৰু অনুজ্ঞা-পত্রৰ ম্যাদ ওকলাৰ তাৰিখৰ কমেও পঞ্চল্লিশ দিন পূর্বে এনে আবেদন কৰিব লাগিব।

অনুজ্ঞা-পত্রৰ ম্যাদ ওকলাৰ পিছত জনোৱা আবেদন, এনে ধৰণৰ বিলম্বৰ বাবে অতিৰিক্ত মাচুল দিব লাগিব, যিটো পাঁচশ টকাতকৈ অধিক নহয় আৰু যিদৰে নির্ধাৰণ কৰা হয়। (Sec. 22)

৮.৯.৭ অনুজ্ঞা-পত্র বাতিল (Suspension of Licence)

যাৱতীয় তদন্ত কৰাৰ পিছত নিয়ন্ত্রকে যদি ভাবে যে একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই—

ক) নবীকৰণৰ বাবে বা অনুজ্ঞা-পত্রৰ বাবে জনোৱা আবেদনত দাখিল কৰা কোনো বিৱৰণ বা তথ্য সত্য নহয়;

খ) যিবোৰ চর্তাৱলীৰ আধাৰত অনুজ্ঞা-পত্র প্রদান কৰা হ'ল সেয়া যথাযথ নহয়;

গ) অনুচ্ছেদ ৩০ ত নির্দিষ্ট কৰি দিয়া প্রক্রিয়া আৰু মানদণ্ড বজাই ৰখাত ব্যর্থ হৈছে;

ঘ) এই আইন, নিয়ম, বিধি বা ইবিলাকৰ অধীনত দিয়া নির্দেশ অমান্য কৰিছে। [Sec. 25(1)]

এনে ক্ষেত্রত অনুজ্ঞা-পত্র বাতিল কৰিব পাৰিব। অৱশ্যে এনে কৰাৰ পূৰ্বে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষক কাৰণ দর্শাবলৈ উপযুক্ত সময় দিয়া হ'ব।

যদি নিয়ন্ত্রকে যুক্তিনিষ্ঠ কাৰণত ধাৰণা কৰে যে উপ-অনুচ্ছেদ (১)ৰ অধীনত একোখন অনুজ্ঞা-পত্র বাতিল কৰাৰ ভিত্তি আছে, তেনে ক্ষেত্রত তেওঁ পূৰ্বে দিয়া তদন্তৰ নির্দেশ স্থগিত ৰাখি নির্দেশযোগে অনুজ্ঞা-পত্র বাতিল কৰিব পাৰে।

অৱশ্যে, সন্দেহযুক্ত কাৰণত বিপৰীত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষক স্পষ্টীকৰণ দিবৰ বাবে এক যুক্তিপূর্ণ সুযোগ নিদিয়াকৈ অনুজ্ঞা-পত্র দহ দিনতকৈ অধিক সময়ৰ বাবে বাতিল কৰিব নোৱাৰে।

যাৰ অনুজ্ঞা-পত্র বাতিল কৰা হয়, তেনে প্রমাণ- পত্র প্রদানকাৰী কর্তৃপক্ষই এনে বাতিলকৰণৰ সময়ছোৱাত কোনো ধৰণৰ বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰিব নোৱাৰিব। [Sec. 25(3)]

৮.৯.৮ প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই অনুসৰণ কৰিবলগীয়া পদ্ধতি (Procedures to be followed by Certifying Authority)

প্রত্যেক প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই—

ক) বিকৃতকৰণ আৰু অপপ্রয়োগৰ পৰা সুৰক্ষিত ৰাখিব পৰা হার্ডৱেৰ, ছফ্‌টৱেৰ আৰু পদ্ধতি ব্যৱহাৰ কৰিব লাগিব;

খ) কৰিবলৈ লোৱা কাৰ্যকার্যৰ ক্ষেত্রত যুক্তিসংগতভাৱে উপযোগী হোৱা সেৱাৰ জৰিয়তে বিশ্বাসযোগ্যতাৰ এক যুক্তিসংগত মাপকাঠী বজাই ৰাখিব লাগিব।

গ) বৈদ্যুতিন স্বাক্ষৰসমূহৰ গোপনীয়তা নিশ্চিত কৰিবলৈ সুৰক্ষাৰ সকলো পদ্ধতি অৱলম্বন কৰিব লাগিব; এই আইনৰ অধীনত প্রদান কৰা সকলো বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র অথবা ইয়াক কার্যকৰী কৰাৰ সময়ত প্রকাশ কৰা তথ্যৰ নিৰাপদ সংৰক্ষণ হ'ব লাগিব, বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র আৰু এনে প্রমাণ-পত্রৰ শেহতীয়া স্থিতি আৰু নিয়মানুসাৰে নির্ধাৰিত অন্যান্য মানদণ্ড সতর্কতাৰে নিৰীক্ষণ কৰিব লাগিব। (Sec. 30)

৮.৯.৯ অনুজ্ঞা-পত্র গতাই দিয়া (Surrender of Licence)

যাৰ অনুজ্ঞা-পত্র বাতিল বা প্রত্যাহাৰ কৰা হৈছে, তেনে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই এনে ধৰণৰ বাতিল বা প্রত্যাহাৰৰ লগে লগে নিয়ন্ত্রকৰ ওচৰত অনুজ্ঞা-পত্র অর্পণ কৰিব লাগিব। যেতিয়া কোনো প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই অনুজ্ঞা-পত্র গতাই নিদিয়ে, যিজন লোকৰ হকে এনে অনুজ্ঞা-পত্র প্রদান কৰা হৈছিল, তেওঁ আইন

মতে জগৰীয়া হ'ব আৰু কাৰাদণ্ড লাভ কৰিব পাৰে, যিটো ছমাহ পর্যন্ত হ'ব পাৰে বা দহ হাজাৰ টকা পর্যন্ত অর্থদণ্ড পাৰে বা দুয়োটাই হ'ব পাৰে। (Sec. 33)

৮.১০ বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র (ELECTRONIC SIGNATURE CERTIFICATES)

৮.১০.১ বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষ (Certifying Authority to Issue Electronic Signature Certificate)

কেন্দ্রীয় চৰকাৰে নির্দিষ্ট কৰা প্রপত্রৰ জৰিয়তে যিকোনো লোকে বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্রৰ বাবে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষলৈ আবেদন কৰিব পাৰে। এনেকুৱা প্রতিখন আবেদনৰ লগত কেন্দ্রীয় চৰকাৰে ধার্য কৰা ধৰণে (পঁচিশ হাজাৰ টকাৰ অধিক নহয়) মাচুল দিব লাগিব, যিটো প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষক পৰিশোধ কৰিব লাগিব। এনে প্রতিখন আবেদনৰ লগত প্রমাণ-পত্র প্রদানৰ অনুশীলনৰ একোটা বিৱৰণ থাকিব লাগিব, এনে বিৱৰণ নাথাকিলে, নিয়মানুসাৰে নির্ধাৰিত বিষয়বস্তু সন্নিৱিষ্ট কৰিব লাগিব।

একোখন আবেদন গ্রহণ কৰোঁতে, প্রমাণ-পত্র প্রদান অনুশীলনৰ বিৱৰণ বা অন্য বিৱৰণ পৰীক্ষা কৰি উপযুক্ত বিবেচনা কৰাৰ পাছত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰিব পাৰে বা লিখিতভাৱে নথিভুক্ত কৰিব লগা কাৰণত আবেদন নাকচ কৰিব পাৰে।

বাতিলকৰণৰ বিপৰীতে কাৰণ দর্শাবলৈ উপযুক্ত সুযোগ আবেদনকাৰীক নিদিয়াকৈ আবেদন নাকচ কৰা নহয়। (Sec. 35)

৮.১০.২ ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদানত প্রতিনিধিত্ব (Representations upon Issuance of Digital Signature Certificate)

তথ্য প্রযুক্তি আইনৰ Sec. 36ত কোৱা হৈছে যে একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰোতে এনে প্রমাণ-পত্র দিব যে—

ক) ই আইনখনৰ লগতে ইয়াৰ অধীনস্থ নীতি-নিয়মৰ ব্যৱস্থাৱলীৰ সৈতে একমত আৰু মানি চলিব;

খ) ই ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রকাশ কৰিছে অথবা ইয়াৰ ওপৰত নির্ভৰশীল এনে লোকৰ বাবে ইয়াক উপলব্ধ কৰি তুলিছে আৰু গ্রাহকে তাক গ্রহণ কৰিছে;

গ ক) গ্রাহকৰ হাতত যিটো ব্যক্তিগত চাবি থাকে তাৰ দ্বাৰা একোটা ডিজিটেল স্বাক্ষৰ কৰিব পাৰি;

গ খ) প্রমাণ-পত্রত তালিকাভুক্ত ৰাজহুৱা চাবি ব্যৱহাৰ কৰি গ্রাহকৰ হাতত থকা ব্যক্তিগত চাবিৰ দ্বাৰা সংলগ্ন কৰা ডিজিটেল স্বাক্ষৰ পৰীক্ষা কৰিব পাৰি;

ঘ) গ্রাহকৰ ৰাজহুৱা চাবি আৰু ব্যক্তিগত চাবিয়ে একোটা কার্যক্ষম চাবি যুগল (key pair) গঠন কৰে।

ঙ) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রত থকা তথ্য প্রকৃত; আৰু

চ) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রত অন্তর্ভুক্ত কোনো বিষয়বস্তুৰে দফা (ক)ৰ পৰা (গ)লৈ উল্লিখিত প্রতিনিধিত্বৰ নির্ভৰযোগ্যতাত বিৰূপ প্রভাৱ পেলোৱাটো ইয়াৰ অৱগত নহয়।

৮.১০.৩ ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল (Suspension of Digital Signature Certificate) (Sec. 37)

তথ্য প্রযুক্তি আইনৰ (Sec. 37)ত কোৱা হৈছে যে একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদান কৰা কর্তৃপক্ষই এনে ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰিব পাৰে;

ক) যদিহে—

১) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রত তালিকাভুক্ত গ্রাহকৰ পৰা বা

২) সেই গ্রাহকজনৰ হৈ কাম কৰিবৰ বাবে নিয়মানুসাৰে কর্তৃত্বপ্রাপ্ত কোনো লোকৰ পৰা; তেনে কৰিবলৈ কোনো অনুৰোধ লাভ কৰে।

খ) যদিহে কতৃপক্ষই ধাৰণা কৰে যে ৰাজহুৱা স্বার্থত ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰা উচিত।

একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র পোন্ধৰ দিনতকৈ অধিক সময়ৰ বাবে বাতিল কৰা নহ'ব যদিহে এই ক্ষেত্রত কাৰণ দর্শাবলৈ গ্রাহকক উপযুক্ত সময় নিদিয়াকৈ বাতিল কৰা হয়। এই অনুচ্ছেদৰ অধীনত ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰোতে, সেই সম্পর্কত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই গ্রাহকক অৱগত কৰিব।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৫ ঃ ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র কেতিয়া বাতিল কৰা **হয়?**

.....

.....

.....

.....

.....

.....

.....

.....

৮.১০.৪ ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল (Revocation of Digital Signature Certificate)

তথ্য প্রযুক্তি আইনৰ ধাৰা Sec. 38ত ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রৰ বাতিলকৰণ সম্পর্কে আলোচনা কৰা হৈছে।

১) একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই নিজে প্রদান কৰা ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰিব পাৰে—

ক) যদি তেনে কৰিবলৈ গ্রাহকে বা তেওঁৰ দ্বাৰা কর্তৃত্বপ্রাপ্ত কোনো লোকে অনুৰোধ কৰে; বা

খ) গ্রাহকজনৰ মৃত্যু হ'লে; বা

গ) গ্রাহকজন একোটা প্রতিষ্ঠান বা কোম্পানী হ'লে তেনে প্রতিষ্ঠান বা কোম্পানী বন্ধ হ'লে।

২) উপ-অনুচ্ছেদ (৩) অনুসৰি আৰু উপ অনুচ্ছেদ (১)ৰ কোনো ক্ষতি নকৰাকৈ একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই নিজে প্রদান কৰা একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র যিকোনো সময়ত বাতিল কৰিব পাৰে, যদি ই ধাৰণা কৰে যে

ক) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রত থকা কোনো তথ্য মিছা বা গোপন কৰা হৈছে;

খ) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র প্রদানৰ বাবে প্রয়োজনীয় কোনো সন্তোষজনক নহ'লে;

গ) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রৰ নির্ভৰযোগ্যতাক বিৰূপ প্রভাৱান্বিত কৰি প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ ব্যক্তিগত চাবি বা সুৰক্ষা ব্যৱস্থাৰ ক্ষেত্রত আপোচ কৰিলে;

ঘ) গ্রাহকজনক দেউলীয়া বা মৃত ঘোষণা কৰিলে বা গ্রাহকজন একোটা প্রতিষ্ঠান বা কোম্পানী হ'লে আৰু তেনে প্রতিষ্ঠান বা কোম্পানী ভংগ হ'লে বা অস্তিত্ব বিলোপ কৰিলে।

৩) গ্রাহকজনক কাৰণ দর্শোৱাৰ উপযুক্ত সুযোগ প্রদান নকৰাকৈ ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰা নহ'ব।

৪) এই অনুচ্ছেদৰ অধীনত একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰা হ'লে, প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই সেই সম্পর্কে গ্রাহকক অৱগত কৰিব।

৮.১০.৫ বাতিলকৰণৰ জাননী (Notice of Suspension or Revocation) (Sec. 39)

অনুচ্ছেদ ৩৭ বা অনুচ্ছেদ ৩৮ৰ অধীনত একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰোঁতে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই এনে ধৰণৰ বাতিলকৰণ বা

প্রত্যাহাৰৰ জাননী প্রমাণ-পত্রত নির্দিষ্ট কৰি দিয়া ৰিপজিটৰীত প্রকাশ কৰিব। য'ত একাধিক ৰিপজিটৰীৰ নাম উল্লেখ থাকে, তেনে ক্ষেত্রত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই এনে বাতিলকৰণৰ জাননী নির্ধাৰিত সকলো ৰিপজিটৰীত দিব লাগিব।

৮.১১ চাইবাৰ আপিল সম্পর্কীয় ন্যায়াধীকৰণ (THE CYBER APPELLATE TRIBUNAL)

৮.১১.১ চাইবাৰ আপিল সম্পর্কীয় ন্যায়াধীকৰণ প্রতিষ্ঠা (Establishment of Cyber Appellate Tribunal)

অধিসূচনাৰ জৰিয়তে কেন্দ্রীয় চৰকাৰে এক বা একাধিক আপীল সম্পর্কীয় ন্যায়াধীকৰণ প্রতিষ্ঠা কৰিব পাৰে যাক চাইবাৰ আপীলেট ট্রিব্যুনেল বুলি জনা যায়। চাইবাৰ আপীলেট ট্রিব্যুনেলৰ ন্যায়িক কাম-কাজৰ বিষয় আৰু স্থানো কেন্দ্রীয় চৰকাৰে নির্দিষ্ট কৰি দিব।

প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষসমূহৰ সহযোগত তথ্য প্রযুক্তি আইনৰ অধীনত চাইবাৰ আপীলেট ট্রিব্যুনেল প্রতিষ্ঠা কৰা হয়। আৰম্ভণিতে এনে ন্যায়াধীকৰণক চাইবাৰ ৰেগুলেচনছ আপীলেট টিব্যুনেল বুলি জনা গৈছিল, যি ২০০৬ৰ অক্টোবৰ পৰা কাম-কাজ আৰম্ভ কৰিছিল। ২০০৮ চনত আই টি এক্টৰ সংশোধনীৰ পিছত চাইবাৰ ৰেগুলেচনছ আপীলেট টিব্যুনেলক চাইবাৰ আপীলেট ট্রিবুনেল হিচাপে পুনৰ নামকৰণ কৰা হয়। (Sec. 48)

৮.১১.২ চাইবাৰ আপিল সম্পর্কীয় ন্যায়াধীকৰণ গঠন (Composition of Cyber Appellate Tribunal)

১) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণ এজন অধ্যক্ষ আৰু কিছুমান সদস্যৰে গঠিত হ'ব, সদস্যৰ সংখ্যা নিৰূপণ কৰি তেওঁলোকক কেন্দ্রীয় চৰকাৰে চৰকাৰী গেজেটত জাননীৰ জৰিয়তে নিযুক্ত কৰিব পাৰে। কোৱা হৈছে যে তথ্য প্রযুক্তি (সংশোধন) আইন, ২০০৮ বলৱৎ হোৱাৰ ঠিক আগে আগে এই আইনখনৰ ব্যৱস্থাৱলীৰ অধীনত চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ প্রিজাইডিং বিষয়া হিচাপে নিযুক্ত ব্যক্তিজনকে আইনখনৰ ব্যৱস্থাৱলীৰ অধীনত চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ হিচাপে নিযুক্ত হিচাপে ধৰিব লাগিব।

২) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ আৰু সদস্যসকল ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে আলোচনা কৰি ভাৰত চৰকাৰে নির্ণয় কৰিব।

৩) এই আইনখনৰ ব্যৱস্থাৱলী অনুসৰি—

ক) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ আইনী ক্ষমতা, পৰিসৰ আৰু কর্তৃত্ব শাখাসমূহেও কার্যকৰী কৰিব পাৰে;

খ) চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষই যোগ্য বুলি বিবেচনা কৰা এনে ন্যায়াধীকৰণৰ এজন বা দুজন সদস্যক লৈ একোখন খণ্ড বিচাৰপীঠ গঠন কৰিব পাৰে;

গ) চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ খণ্ড পীঠবিলাক নতুন দিল্লীত বহিব অথবা অধ্যক্ষৰ সৈতে আলোচনা কৰি কেন্দ্রীয় চৰকাৰে চৰকাৰী গেজেটত নির্ধাৰণ কৰি দিয়া ঠাইত বহিব;

ঘ) গেজেটত জাননী দি কেন্দ্রীয় চৰকাৰে চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ প্রতিটো খণ্ডপীঠৰ ন্যায়িক পৰিসৰ নির্ণয় কৰিব।

৪) উপ অনুচ্ছেদ (৩)ত অন্তর্ভুক্ত যিকোনো বিষয়াৰ সৈতে সংগতি ৰাখি চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষই এনে ন্যায়াধীকৰণৰ সদস্যক এখন খণ্ডপীঠৰ পৰা আন এখনলৈ বদলি কৰিব পাৰে।

৫) কোনো গোচৰ বা বিষয়ৰ শুনানিৰ কোনো স্তৰত চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ বা সদস্যই দেখে যে গোচৰটো বা বিষয়টো অধিক সদস্যযুক্ত কোনো খণ্ডপীঠে শুনানি গ্রহণ কৰা উচিত, তেনে ক্ষেত্রত অধ্যক্ষই বিবেচনা কৰিলে গোচৰটো বা বিষয়টো কোনো খণ্ডপীঠলৈ স্থানান্তৰ কৰিব পাৰে। (Sec. 49)

৮.১১.৩ চাইবাৰ আপিল সম্পৰ্কীয় ন্যায়াধীকৰণ অধ্যক্ষ আৰু সদস্য নিযুক্তিৰ বাবে অর্হতা (Qualifications for Appointment as Chairperson and Members of Cyber Appellate Tribunal)

১) এজন ব্যক্তি চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ হিচাপে নিযুক্ত হ'বলৈ অর্হতাসম্পন্ন নহ'ব যদিহে তেওঁ উচ্চ ন্যায়ালয়ৰ এজন বিচাৰপতি নহয়, নাছিল বা হ'বৰ যোগ্য নহয়।

২) উপ অনুচ্ছেদ (৩)ৰ অধীনত নিযুক্ত হ'ব লগা ন্যায়িক দণ্ডাধীশজনৰ বাহিৰে চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ বাকী সদস্যসকল তথ্য প্রযুক্তি, দূৰসংযোগ, উদ্যোগ, পৰিচালন বা গ্রাহক পৰিক্রমাৰ বিশেষ জ্ঞান থকা বা বৃত্তিমূলক অভিজ্ঞতাসম্পন্ন লোকৰ মাজৰ পৰা কেন্দ্রীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হ'ব। কোৱা হৈছে যে কোনো ব্যক্তিক সদস্য হিচাপে নিযুক্ত কৰা নহ'ব, যদিহে তেওঁ কমেও এবছৰৰ বাবে ভাৰত চৰকাৰৰ অতিৰিক্ত সচিব বা কেন্দ্রীয় অথবা ৰাজ্য চৰকাৰৰ সমপর্যায়ৰ পদত কাম কৰা নাই নাইবা ভাৰত চৰকাৰৰ যুটীয়া সচিব বা কেন্দ্রীয় অথবা ৰাজ্য চৰকাৰৰ সমপর্যায়ৰ পদবীত কমেও সাত বছৰৰ বাবে কাম কৰা নাই।

৩) চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ ন্যায়িক সদস্যসকল তেনে লোকৰ মাজৰ পৰা কেন্দ্রীয় চৰকাৰৰ দ্বাৰা নিযুক্ত হ'ব, যি কমেও এবছৰৰ বাবে ভাৰতীয় আইনী

সেৱাৰ সদস্য আছিল আৰু অতিৰিক্ত সচিব হিচাপে কাম কৰিছিল বা কমেও পাঁচ বছৰৰ বাবে উক্ত সেৱাৰ গ্ৰেড ৰান পদত কাম কৰিছিল। (Sec. 50)

৮.১১.৪ অধ্যক্ষ আৰু সদস্যসকলৰ পদবীৰ কার্যকাল, সেৱাৰ চর্তাৱলী ইত্যাদি... (Term of Office, Conditions of Service of Chairperson and Members)

১) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ বা সদস্যজনে পদীবত সেৱাৰ দিনাৰ পৰা পাঁচ বছৰ কালৰ বাবে বা তেওঁ পয়ষষ্ঠি বছৰ বয়সত নোসোমোৱালৈকে পদবীত থাকিব।

২) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ বা সদস্য হিচাপে কোনো ব্যক্তিক নিযুক্তি দিয়াৰ পূর্বে, কেন্দ্রীয় চৰকাৰে এই কথা নিশ্চিত কৰিব যে তেওঁ অধ্যক্ষ বা সদস্য হিচাপে কৰিবলগীয়া কামত বিৰূপ প্রভাৱ পেলাব পৰা কোনো বিত্তীয় বা অন্য কামৰ সৈতে জড়িত বা আগ্রহী নহয়।

৩) চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণৰ অধ্যক্ষ বা সদস্য হিচাপে কেন্দ্রীয় বা ৰাজ্য চৰকাৰৰ একোজন বিষয়া বাছনি হ'লে তেওঁ অধ্যক্ষ বা সদস্য পদত যোগ দিয়াৰ পূর্বে চাকৰিৰ পৰা অৱসৰ ল'ব লাগিব। (Sec. 51)

৮.১১.৫ চাইবাৰ আপিল সম্পর্কীয় ন্যায়াধীকৰণত আপীল (Appeal to Cyber Appellate Tribunal)

তথ্য প্রযুক্তি আইনৰ ধাৰা (Sec. 57)ত ন্যায়াধীকৰণত আপীল কৰাৰ পদ্ধতি উল্লেখ কৰা হৈছে।

১) উপ-অনুচ্ছেদ (২)ত উল্লেখ থকাৰ দৰে, এই আইনৰ অধীনস্থ একোজন বিচাৰকর্তা বিষয়াই দিয়া নির্দেশত কোনো লোক অসন্তুষ্ট হ'লে তেওঁ বিষয়টো সন্দর্ভত থকা আইনী ব্যৱস্থা অনুসৰি চাইবাৰ ন্যায়াধীকৰণত আপীল কৰিব পাৰে।

২) পক্ষসমূহৰ সন্মতি সাপেক্ষে একোজন বিচাৰকাৰী বিষয়াই নির্দেশ জাৰি কৰাৰ পিছৰ পৰা চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণত আপীল কৰি থাকিব নোৱাৰিব।

৩) উপ-অনুচ্ছেদ (১)ৰ অধীনৰ প্রতিখন আপীল নিয়ন্ত্রক বা বিচাৰকাৰী বিষয়াজনে দিয়া নির্দেশৰ কপি অসন্তুষ্ট লোকজনে লাভ কৰাৰ তাৰিখৰ পৰা পঞ্চলিশ দিনৰ ভিতৰত দাখিল কৰিব লাগিব আৰু নির্ধাৰিত প্রপত্রত নির্ধাৰিত মাচুলসহ আপীল কৰিব লাগিব। কোৱা হৈছে যে উল্লিখিত সময়ছোৱাৰ ভিতৰত দাখিল নকৰাৰ যথোচিত কাৰণ আছে বুলি পতিয়ন গ'লে চাইবাৰ আপীল সম্পর্কীয় ন্যায়াধীকৰণে উক্ত পঞ্চলিশ দিনৰ সময়ছোৱাৰ পিছতো একোখন আপীল ল'ব পাৰে।

৪) উপ-অনুচ্ছেদ (১)ৰ অধীনত একোখন আপীল গ্ৰহণ কৰি চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণে, পক্ষসমূহক উক্ত আপীলৰ শুনানিৰ বাবে একোটা সুযোগ দিয়াৰ পিছত, প্ৰয়োজনবোধ কৰিলে যিটো নিৰ্দেশৰ বিৰুদ্ধে আপীল কৰা হৈছিল তাক আঁতৰাই থ'ব বা সংশোধন কৰিব বা বাহাল ৰাখিব।

৫) চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণে দিয়া প্ৰতিটো নিৰ্দেশৰ একোটা কপি আপীলৰ পক্ষসমূহলৈ আৰু সংশ্লিষ্ট নিয়ন্ত্ৰিত অথবা বিচাৰকাৰী বিষয়ালৈ প্ৰেৰণ কৰিব।

৬) উপ-অনুচ্ছেদ (১)ৰ অধীনত চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণত দাখিল কৰা আপীল পোৱাৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত যিমান পাৰি খৰতকীয়াকৈ মীমাংসা কৰিব আৰু চূড়ান্ত ৰায় প্ৰদান কৰিব।

৮.১১.৬ চাইবাৰ আপিল সম্পৰ্কীয় ন্যায়াধীকৰণৰ কৰ্ম পদ্ধতি আৰু ক্ষমতা (Procedure and Powers of the Cyber Appellate Tribunal)

১) চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণৰ ক'ড অৱ চিভিল প্ৰচিডিউৰ, ১৯০৮ (১৯০৮ৰ ৫)ত উল্লিখিত পদ্ধতিবোৰ মানি চলিবলৈ বাধ্য নহয় যদিও প্ৰাকৃতিক ন্যায়ৰ নীতিসমূহৰ দ্বাৰা পৰিচালিত হ'ব, যিবোৰ এই আইনৰ চৰ্তাৱলী আৰু নিয়মাৱলীৰ অন্তৰ্ভুক্ত, চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণ ক'ত ক'ত বহিব সেই স্থান নিৰ্ধাৰণকে ধৰি ইয়াৰ কৰ্মপদ্ধতি নিৰ্ণয় কৰাৰ নিজা ক্ষমতা থাকিব।

২) এই আইনৰ অধীনত ইয়াৰ কাম সম্পাদন কৰিবলৈ চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণে ক'ড অৱ চিভিল প্ৰচিডিউৰ, ১৯০৮ (১৯০৮ৰ ৫)ত সন্নিৱিষ্ট একোখনি ক্ষমতা নিম্নোল্লিখিত বিষয়বোৰত বিচাৰ কাৰ্যৰ সময়ত লাভ কৰিব ঃ

ক) কোনো লোকক উপস্থিত হ'বৰ বাবে চমন দিয়া আৰু আটক কৰি অনা আৰু শুনানি গ্ৰহণ কৰা;

খ) নথিপত্ৰ বা অন্য বৈদ্যুতিন তথ্য বিচাৰি উলিওৱা আৰু দাখিল কৰা;

গ) শপতনামাত সাক্ষ্য গ্ৰহণ কৰা;

ঘ) সাক্ষীগণ বা নথিপত্ৰৰ পৰীক্ষাৰ বাবে আয়োগ নিযুক্ত কৰা;

ঙ) ইয়াৰ সিদ্ধান্তসমূহ পুনৰীক্ষণ কৰা;

চ) বিজুতিৰ বাবে একোখন আবেদন নাকচ কৰা বা একতৰফা বুলি সিদ্ধান্ত লোৱা;

ছ) পৰামৰ্শ দিয়া হ'ব পৰা আন যিকোনো বিষয়।

৩) অনুচ্ছেদ ১৯৩ আৰু ২২৮ আৰু ভাৰতীয় দণ্ডবিধিৰ অনুচ্ছেদ ১৯৬ৰ অৰ্থৰ পৰিসৰৰ চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণলৈ অহা সকলো কাৰ্যক একোটা ন্যায়িক কাৰ্য বুলি গণ্য কৰা হ'ব, আৰু ক'ড অৱ ক্ৰিমিনেল প্ৰছিডিউৰ, ১৯৭৩ (১৯৭৪ৰ ২) Chapter XXVI আৰু অনুচ্ছেদ ১৯৫ৰ উদ্দেশ্যাৱলীৰ ক্ষেত্ৰত চাইবাৰ আপীল সম্পৰ্কীয় ন্যায়াধীকৰণক এখন অসামৰিক আদালত বুলি গণ্য কৰা হ'ব। (Sec. 58)

৮.১১.৭ অসামৰিক আদালতৰ এক্তিয়াৰ নাথাকিব (Civil Court not to have Jurisdiction)

এই আইনৰ অধীনত চাইবাৰ আপীলকৰণ ন্যায়াধিকৰণৰ দ্বাৰা গঠিত কোনো বিচাৰকৰ্তাৰ বিচাৰাধীন যিকোনো বিষয়ৰ ক্ষেত্ৰত অসামৰিক আদালতে কোনো ধৰণৰ ন্যায়িক ক্ষমতা খটুৱাব নোৱাৰিব আৰু আইনখনৰ অধীনত কৰ্তৃত্বপ্ৰাপ্ত বিচাৰকৰ্তাৰ বা আন কোনো কৰ্তৃপক্ষই গ্ৰহণ কৰা বিষয়ৰ বিপৰীত পদক্ষেপ ল'ব নোৱাৰিব। (Sec. 61)

৮.১১.৮ উচ্চ ন্যায়ালয়ত আবেদন (Appeal to High Court)

চাইবাৰ আপীলকৰণ ন্যায়াধীকৰণৰ কোনো সিদ্ধান্ত বা নিৰ্দেশৰ ক্ষেত্ৰত কোনো লোক অসন্তুষ্ট হ'লে তেওঁ চাইবাৰ আপীলকৰণ ন্যায়াধীকৰণৰ পৰা তেনে সিদ্ধান্ত বা নিৰ্দেশ লাভ কৰাৰ পৰা ৬০ দিনৰ ভিতৰত তেনে নিৰ্দেশৰ ক্ষেত্ৰত আইন অনুসৰি উদ্ভৱ হোৱা যিকোনো বিষয় লৈ উচ্চ ন্যায়ালয়ত আপীল কৰিব পাৰিব। কোৱা হৈছে যে উচ্চ ন্যায়ালয়ে যদি ধাৰণা কৰে যে আবেদনকাৰীয়ে উল্লিখিত সময়সীমাৰ ভিতৰত আপীল কৰিব নোৱৰাৰ কিবা যুক্তিযুক্ত কাৰণ আছে, তেনে ক্ষেত্ৰত তেওঁক পৰৱৰ্তী সময় দিব পাৰে, যিটো ৬০ দিনতকৈ অধিক নহ'ব। (Sec. 62)

৮.১২ আইনখনৰ অধীনত অপৰাধ আৰু শাস্তি (OFFENCES AND PENALTIES UNDER THE ACT)

৫.১২.১ কম্পিউটাৰ উৎসৰ নথি-পত্ৰৰ বিকৃতকৰণ (Tampering with Computer Source Documents)

যদি কোনো লোকে জ্ঞাতসাৰে বা উদ্দেশ্যপ্ৰণোদিতভাৱে কোনো তথ্য গোপন কৰে, ধ্বংস কৰে বা পৰিৱৰ্তন কৰে আৰু উদ্দেশ্যপ্ৰণোদিতভাৱে জ্ঞাতসাৰে আনৰ তথ্য গোপন কৰোৱায়, ধ্বংস কৰোৱায় বা পৰিৱৰ্তন কৰোৱায় বা কোনো কম্পিউটাৰ উৎসত ব্যৱহৃত ক'ড, কম্পিউটাৰ প্ৰগ্ৰেম, কম্পিউটাৰ ছিষ্টেম বা কম্পিউটাৰ নেটৱৰ্ক পৰিৱৰ্তন কৰে, (য'ত কম্পিউটাৰ উৎসৰ ক'ডটো বিধিসন্মতভাৱে নিৰ্ধাৰিত সময়লৈ লগত ৰখা বা ব্যৱহাৰ কৰাৰ ব্যৱস্থা থাকে) তেনে লোকে তিনি বছৰৰ কাৰাবাস, লগতে দুই লাখ টকা পৰ্যন্ত জৰিমনা পাব পাৰে বা দুয়োটা শাস্তিয়েই পাব পাৰে।

এই অনুচ্ছেদ অনুসৰি, 'কম্পিউটাৰ উৎস ক'ড' বুলিলে বিভিন্ন প্ৰগ্ৰেমৰ তালিকাকৰণ, কম্পিউটাৰ কামাণ্ড, ডিজাইন আৰু লে-আউট আৰু কম্পিউটাৰ ৰিছ'ৰ্চৰ প্ৰগ্ৰেম বিশ্লেষণ বুজায়। (Sec. 65)

৮.১২.২ কম্পিউটাৰ সম্পৰ্কীয় অপৰাধ (Computer Related Offences)

যদি কোনো লোকে অনুচ্ছেদ ৪৩ত উল্লিখিত বিষয়ৰ ক্ষেত্ৰত অসততাৰে বা প্ৰৱঞ্চনামূলকভাৱে কোনো কাম কৰে, তেওঁ তিনি বছৰ পৰ্যন্ত কাৰাবাস অথবা পাঁচ লাখ টকা পৰ্যন্ত অৰ্থদণ্ড অথবা দুয়োটা শাস্তিয়েই পাব পাৰে।

ব্যাখ্যা, এই অনুচ্ছেদ অনুসৰি—

ক) 'অসততা' বুলিলে ভাৰতীয় দণ্ডবিধিৰ (১৮৬০ৰ ৪৫) অনুচ্ছেদ ২৪ত উল্লিখিত অৰ্থ বুজাব।

খ) 'প্ৰৱঞ্চনামূলকভাৱে' বুলিলে ভাৰতীয় দণ্ডবিধিৰ (১৮৬০ৰ ৪৫) অনুচ্ছেদ ২৫ত উল্লিখিত অৰ্থ বুজাব।

৮.১২.৩ যোগাযোগ সেৱা আদিৰ মাধ্যমেৰে অপৰাধমূলক বাৰ্তা প্ৰেৰণ কৰাৰ শাস্তি (Punishment for Sending Offensive Messages Through Communication Service, etc.)

যদি কোনো লোকে একোটা কম্পিউটাৰ উৎস বা একোটা যোগাযোগ আহিলাৰ জৰিয়তে—

ক) কোনো ধৰণৰ অপৰাধমূলক বা চৰিত্ৰ হননকাৰী বাৰ্তা প্ৰেৰণ কৰে;

খ) তেওঁ মিছা বুলি জানিও ক্ষোভ, বেমেজালি, বিপদ, উপহাস, আঘাত, অপৰাধমূলক কাৰ্যকলাপ, শত্ৰুতা, ঘৃণা বা অশুভ বাসনা সৃষ্টি কৰিবৰ বাবে কোনো কম্পিউটাৰ উৎস বা যোগাযোগ আহিলাৰ জৰিয়তে কোনো তথ্য প্ৰেৰণ কৰে;

গ) বিভ্ৰান্তি, ক্ষোভ বা বিশৃংখলতা সৃষ্টিৰ উদ্দেশ্যে অথবা প্ৰাপকক বিপথে পৰিচালিত কৰিবলৈ কোনো বৈদ্যুতিন মেইল বা বাৰ্তা যদি প্ৰেৰণ কৰে বা মূল বাৰ্তাৰ বিকৃতি ঘটায়, তেনে লোকে তিনি বছৰ পৰ্যন্ত কাৰাদণ্ড আৰু অৰ্থদণ্ড পাব পাৰে।

ব্যাখ্যা, এই অনুচ্ছেদ অনুসৰি 'বৈদ্যুতিন মেইল' আৰু 'বৈদ্যুতিন মেইল বাৰ্তা' বুলিলে একোটা কম্পিউটাৰ, কম্পিউটাৰ ছিষ্টেম, কম্পিউটাৰ ৰিছ'ৰ্চ বা যোগাযোগ আহিলাৰ লগতে সংলগ্ন পাঠ, চিত্ৰ, শ্ৰব্য, দৃশ্য আৰু আন যিকোনো বৈদ্যুতিন তথ্য (যিবিলাক বাৰ্তাটোৰ সৈতে প্ৰেৰিত হয়)ক বুজায়। [Sec. 66(A)]

৮.১২.৪ চুৰি কম্পিউটাৰ ৰিছ'ৰ্চ বা যোগাযোগৰ আহিলা অসততাৰে গ্ৰহণ কৰাৰ শাস্তি (Punishment for Dishonestly Receiving Stolen Computer Resource or Communication Device)

যদি কোনো লোকে কোনো চুৰি কম্পিউৰ্টাৰ ৰিছ'ৰ্চ বা যোগাযোগৰ আহিলা জ্ঞাতসাৰে বা সেইবিলাক চুৰি কৰা বুলি জানি-বুজিও বাৰ্তা গ্ৰহণ কৰে তেনে লোকে

তিনি বছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত অর্থদণ্ড বা দুয়েটা শাস্তিয়েই পাব পাৰে। [Sec. 66(B)]

৮.১২.৫ চুৰি কার্য চিনাক্ত হ'লে শাস্তি (Punishment for Identity Theft)

যদি কোনো লোকে প্ৰৱঞ্চনামূলকভাৱে বা অসততাৰে আনৰ বৈদ্যুতিন স্বাক্ষৰ, পাছৱর্ড বা অন্য যিকোনো একক পৰিচয়সূচক আৰ্হি বা তথ্য ব্যৱহাৰ কৰে, তেনে লোকে তিনি বছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত অর্থদণ্ড ভোগ কৰিব পাৰে। [Sec. 66(C)]

৮.১২.৬ কম্পিউটাৰ ৰিছ'র্চ ব্যৱহাৰ কৰি প্ৰদর্শনৰ দ্বাৰা প্ৰৱঞ্চনা কৰাৰ শাস্তি (Punishment for Cheating by Personation by Using Computer resource)

যদি কোনো লোকে কোনো যোগাযোগ আহিলা বা কম্পিউটাৰ ৰিছ'র্চ নিজস্বকৰণ কৰি অপৰাধ কৰে তেওঁ তিনি বছৰ পর্যন্ত কাৰাদণ্ড আৰু এক লাখ টকা পর্যন্ত অর্থদণ্ড পাব পাৰে। [Sec. 66(D)]

৮.১২.৭ গোপনীয়তা ভংগৰ শাস্তি (Punishment for Violation of Privacy)

যদি কোনো লোকে উদ্দেশ্যপ্রণোদিতভাৱে অথবা জ্ঞাতসাৰে কোনো লোকৰ ব্যক্তিগত গোপন ঠাইৰ পৰা তেওঁৰ অনুমতি নোহোৱাকৈ কোনো চিত্র হস্তগত, প্রকাশ বা সম্প্রচাৰ কৰে তেনেক্ষেত্রত ব্যক্তিৰ গোপনীয়তা ভংগৰ অপৰাধত তেওঁক তিনি বছৰ পর্যন্ত কাৰাদণ্ড বা দুই লাখ টকা পর্যন্ত জৰিমনা বা দুয়োটা শাস্তিয়েই দিয়া হ'ব পাৰে। [Sec. 66(E)]

ব্যাখ্যা, এই অনুচ্ছেদ অনুসৰি—

ক) 'সম্প্রচাৰ' বুলিলে কোনো লোকে চাব পৰাকৈ বৈদ্যুতিনভাৱে কোনো দৃশ্য চিত্র ইণ্টাৰনেটৰ জৰিয়তে প্রেৰণ কৰা বুজায়;

খ) 'হস্তগত' বুলিলে যিকোনো উপায়েৰে কোনো চিত্র, ভিডিঅ' টেপ, ফটোগ্রাফ, ফিল্ম বা তথ্য নিজৰ আয়ত্বত ৰখা বুজায়;

গ) 'ব্যক্তিগত গোপন ঠাই' বুলিলে নগ্ন অথবা বস্ত্রৰ নিম্নৱর্তী যৌনাংগ, শৰীৰৰ গোপন অংগ অথবা নাৰীৰ স্তন বুজায়;

ঘ) 'প্রকাশ কৰা' বুলিলে ছপা বা বৈদ্যুতিন ৰূপত পুনৰ প্রস্তুত কৰা আৰু ৰাজহুৱা কৰা বুজায়।

ঙ) 'গোপনীয়তা ভংগ কৰা পৰিস্থিতি' বুলিলে এনে পৰিস্থিতিক বুজায় য'ত কোনো লোকে যুক্তিসংগতভাৱে ভাবিব পাৰে যে—

১) কোনো লোকে তেওঁৰ গোপন অংগৰ চিত্র ধৰি ৰখা বুলি জ্ঞাত নহৈ তেওঁৰ গোপনীয়তা বিঘ্নিত হৈছে বুলি ভবা;

২) লোকজন ব্যক্তিগত বা ৰাজহুৱা যি স্থানতেই নাথাকক কিয়, তেনে স্থানৰ তেওঁৰ গোপন অংগৰ চিত্র ৰাজহুৱা কৰা।

৮.১২.৮ চাইবাৰ সন্ত্রাসবাদৰ শাস্তি (Punishment for Cyber Terrorism)

যদি কোনো লোকে তলৰ ব্যৱস্থাবোৰ অৱলম্বন কৰি ইণ্টাৰনেটৰ জৰিয়তে ভাৰতৰ ঐক্য, সংহতি, নিৰাপত্তা অথবা সার্বভৌমত্বৰ প্রতি ভাবুকিৰ সৃষ্টি কৰে বা জনসাধাৰণৰ ওপৰত বা জনসাধাৰণৰ কোনো অংশৰ ওপৰত সন্ত্রাসমূলক আক্রমণ কৰে;

১) কম্পিউটাৰ ৰিছ'র্চ ব্যৱহাৰ কৰিবৰ বাবে কর্তৃত্বপ্রাপ্ত লোকক অস্বীকাৰ কৰি বা অস্বীকাৰ কৰিবলৈ আনক বাধ্য কৰায়,

২) কর্তৃত্বহীনভাৱে বা লাভ কৰা কর্তৃত্বৰ সীমা অতিক্রম কৰি একোটা কম্পিউটাৰ ৰিছ'র্চত সোমায়;

৩) কোনো কম্পিউটাৰ উৎস ব্যৱহাৰ কৰি কোনো লোকৰ মৃত্যু বা আঘাত বা সা-সম্পত্তিৰ হানি-বিঘিনি বা বিবাদ সৃষ্টি কৰিব পৰা কার্য জানি-বুজিও সংঘটিত কৰে আৰু অনুচ্ছেদ ৭০ত নির্ধাৰিত জটিল তথ্যৰ আন্তঃগাঁথনিত বিৰূপ প্রভাৱ পেলাই সামূহিক জীৱনত বিভ্রান্তিৰ সৃষ্টি কৰে; বা জানি-বুজি অথবা উদ্দেশ্য প্রণোদিতভাৱে কর্তৃত্বহীনভাৱে আনৰ কম্পিউটাৰ ৰিছ'র্চত প্রৱেশ কৰে আৰু ৰাষ্ট্র তথা বৈদেশিক সম্পর্কৰ নিৰাপত্তাৰ খাটিৰত সংৰক্ষিত কৰি ৰখা তেনে ৰিছ'র্চৰ তথ্য, তথ্য বা কম্পিউটাৰ তথ্যবেছ ব্যৱহাৰ কৰে, দেশৰ সার্বভৌমত্ব, অখণ্ডতা আৰু নিৰাপত্তা বিঘ্নিত কৰে, অন্যান্য দেশৰ সৈতে থকা বৈদেশিক সম্পর্ক বিঘ্নিত কৰে, ৰাজহুৱা শৃংখলা, নৈতিকতা বা শালীনতা বা আদালত অৱমাননা কৰে, ব্যক্তি বিশেষৰ সন্মান লাঘৱ কৰে বা অপৰাধৰ বাবে লোকক উচটনি দিয়ে, বা কোনো বিদেশী ৰাষ্ট্রৰ হৈ দেশবিৰোধী কার্য কৰে, তেনে লোক বা লোকসকলক চাইবাৰ সন্ত্রাসবাদৰ সৈতে জড়িত লোক বুলি কোৱা হ'ব।

চাইবাৰ সন্ত্রাসবাদ সংঘটিত কৰিবলৈ ষড়যন্ত্র কৰা লোক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হ'ব পাৰে। [Sec. 66(F)]

৮.১২.৯ বৈদ্যুতিন ৰূপত কোনো বিকৃত বিষয় বস্তু প্রকাশ বা প্রচাৰ কৰাৰ শাস্তি (Punishment for Publishing or Transmitting Obscene Material in Electronic Form)

যদি কোনো লোকে এনে কোনো বিষয়বস্তু বৈদ্যুতিন ৰূপত প্রকাশ বা প্রচাৰ

কৰে বা প্রকাশ বা প্রচাৰ কৰোৱায়, যি বিকৃত প্রভাৱ পেলাব পাৰে আৰু কোনো লোকক বিকৃত ৰূপত তুলি ধৰি কোনো পঠনযোগ্য, দৃশ্য বা শ্রব্য বিষয়বস্তু আনৰ বাবে উপলব্ধ কৰোৱাই তেনে লোকে তিনি বছৰ পর্যন্ত কাৰাদণ্ড আৰু পাঁচ লাখ টকা পর্যন্ত জৰিমনা পাব পাৰে। [Sec. 67]

৮.১২.১০ বৈদ্যুতিন ৰূপত কোনো যৌন বিকৃতিমূলক কার্যসম্বলিত বিষয়বস্তু প্রকাশ বা প্রচাৰ কৰাৰ শাস্তি (Punishment for Publishing or Transmitting of Material Containing Sexually Explicit act, etc., in Electronic Form)

যদি কোনো লোকে বৈদ্যুতিন ৰূপত এনে কোনো বিষয়বস্তু প্রকাশ বা প্রচাৰ কৰে বা কৰোৱায় য'ত যৌন বিকৃতিমূলক কার্য সোমাই থাকে তেনে লোকক প্রথম দোষী সাব্যস্ত হওঁতে পাঁচ বছৰ পর্যন্ত কাৰাদণ্ড আৰু দহ লাখ টকা পর্যন্ত জৰিমনা বিহিব পাৰে আৰু দ্বিতীয় বা পৰৱর্তী দোষী সাব্যস্ত হ'লে সাত বছৰলৈ কাৰাদণ্ডৰ ম্যাদ বৃদ্ধি হ'ব পাৰে আৰু লগতে দহ লাখ টকা পর্যন্ত অর্থদণ্ড হ'ব পাৰে। [Sec-67(A)]

৮.১২.১১ যৌন উন্মুক্ত কার্যত শিশুক চিত্রায়িত কৰি বিষয়বস্তু প্রকাশ বা প্রেৰণ কৰাৰ শাস্তি (Punishment for Publishing or Transmitting of Material Depicting Children in Sexually Explicit Act, etc., in Electronic Form)

যদি কোনো লোকে—

ক) যিকোনো বৈদ্যুতিন ৰূপত যৌনভাৱে উন্মুক্ত কার্যত জড়িত শিশুৰ চিত্র থকা বিষয়বস্তু প্রকাশ বা প্রেৰণ কৰে বা কৰোৱায়;

খ) শিশুক অশালীন বা অভব্য বা যৌনভাৱে উন্মুক্ত অৱস্থাত চিত্রায়ন কৰি লিখিত বা ডিজিটেল ছবি সৃষ্টি কৰে বা তেনে কোনো বস্তু সংগ্রহ, ব্রাউজ, ডাউনল'ড, বিজ্ঞাপন, পৃষ্ঠপোষকতা, বিনিময় বা বিতৰণ কৰে;

গ) কম্পিউটাৰ ৰিছ'র্চত এক যুক্তিসংগত অপকর্ম হিচাপে পৰিগণিত হ'ব পৰাকৈ এক বা একাধিক শিশুক অনলাইনত যৌনভাৱে উন্মুক্ত সম্পর্ক কৰাৰ ব্যৱস্থা কৰে, উচটনি দিয়ে;

ঘ) অনলাইনত শিশুক যৌন আতিশায্য চলায়;

ঙ) শিশুৰ সৈতে নিজৰ বা আনৰ যৌন অপকর্ম যিকোনো বৈদ্যুতিন ৰূপত ৰেকর্ড কৰিলে, তেনে লোকে প্রথম দোষী সাব্যস্ত হওঁতে পাঁচ বছৰ পর্যন্ত কাৰাদণ্ড আৰু দহ লাখ টকা পর্যন্ত জৰিমনা পাব পাৰে আৰু দ্বিতীয়বাৰ তেনে ঘটনা ঘটিলে বা পৰৱর্তী দোষী সাব্যস্ত হ'লে পুনৰ সাত বছৰ পর্যন্ত কাৰাদণ্ড আৰু দহ লাখ টকা পর্যন্ত জৰিমনা পাব পাৰে;

কোৱা হৈছে যে অনুচ্ছেদ ৬৭, অনুচ্ছেদ ৬৭ এ আৰু এই অনুচ্ছেদে বৈদ্যুতিন ৰূপত থকা তেনে কোনো গ্ৰন্থ, পুস্তিকা, পত্ৰ, লেখা, অংকন, চিত্ৰক সামৰি নলয়—

১) যিবিলাক প্ৰকাশ ন্যায়সংগত আৰু এনে ধৰণৰ গ্ৰন্থ, পুস্তিকা, পত্ৰ, লেখা, অংকন, চিত্ৰত সন্নিৱিষ্ট বিষয়বস্তু যদি বিজ্ঞান, সাহিত্য, কলা বা আন জ্ঞান অৰ্জনৰ স্বাৰ্থত ভালৰ বাবে ব্যৱহৃত হয়;

২) যিবিলাক মূল্যবান ঐতিহ্য বা ধৰ্মীয় কাৰণত ব্যৱহাৰ কৰা হয়।

ব্যাখ্যা, এই ধাৰাৰ বাবে শিশু বুলিলে ১৮ বছৰ সম্পূৰ্ণ নকৰা লোকক বুজায়। [Sec. 67(B)]

৮.১২.১২ কোনো ঘটনাৰ প্ৰতিক্ৰিয়াৰ বাবে ৰাষ্ট্ৰীয় সংস্থা হিচাপে কাম কৰিবলৈ ভাৰতীয় কম্পিউটাৰ অপাতকালীন প্ৰতিক্ৰিয়া গোট (Indian Computer Emergency Response Team to Serve as National Agency for Incident Response)

১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী গেজেটত জাননীৰ জৰিয়তে চৰকাৰৰ এটা সংস্থা নিযুক্ত কৰিব যাব কোৱা হ'ব ভাৰতীয় কম্পিউটাৰ আপাতকালীন প্ৰতিক্ৰিয়া গোট।

২) উপ-অনুচ্ছেদ (১)ত উল্লিখিত উক্ত সংস্থাত কেন্দ্ৰীয় চৰকাৰে এজন সঞ্চালক প্ৰধান আৰু তেনে ধৰণৰ আন বিষয়াবৰ্গ আৰু কৰ্মচাৰীৰ প্ৰয়োজন মতে ব্যৱস্থা কৰিব।

৩) সঞ্চালক প্ৰধান আৰু আন বিষয়াবৰ্গ তথা কৰ্মচাৰীসকলৰ দৰমহা আৰু অন্যান্য চৰ্তাৱলী সম্পৰ্কে পৰামৰ্শ দিব পাৰে।

৪) ভাৰতীয় কম্পিউটাৰ আপাতকালীন প্ৰতিক্ৰিয়া গোটে চাইবাৰ নিৰাপত্তাৰ ক্ষেত্ৰখনত নিম্নোল্লিখিত কাম-কাজসমূহ কৰিবৰ বাবে ৰাষ্ট্ৰীয় সংস্থা হিচাপে কাম কৰিব—

ক) চাইবাৰ কাৰ্য সন্দৰ্ভত তথ্য সংগ্ৰহ, বিশ্লেষণ আৰু বিস্তাৰ;

খ) চাইবাৰ নিৰাপত্তাজনিত ঘটনাৱলীত পূৰ্বাৱলোকন আৰু সতৰ্কীকৰণ;

গ) চাইবাৰ নিৰাপত্তাজনিত ঘটনাৱলীৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ;

ঘ) চাইবাৰ ঘটনাৱলীৰ প্ৰতিক্ৰিয়ামূলক কাৰ্যবিলাকৰ সমন্বয় সাধন;

ঙ) চাইবাৰ ঘটনাৱলীৰ নিৰাপত্তাৰ কাম-কাজ, পদ্ধতি, প্ৰতিৰোধ, প্ৰতিক্ৰিয়া আৰু তথ্য প্ৰদান সম্পৰ্কীয় পৰামৰ্শ, নিৰ্দেশদা, সম্ভাব্য ঘটনাৰ বিৱৰণ আৰু শ্বেতপত্ৰ প্ৰকাশ কৰা;

চ) চাইবাৰ নিৰাপত্তা সম্পৰ্কীয় অন্যান্য কাম-কাজ।

৫) উপ অনুচ্ছেদ (১)ত উল্লিখিত সংস্থাৰ কাৰ্যাৱলী সম্পাদন কৰাৰ ধৰণ।

৬) উপ-অনুচ্ছেদ (ক)ৰ ব্যৱস্থাৱলী সম্পাদনৰ বাবে; উপ-অনুচ্ছেদ (১)ত উল্লিখিত সংস্থাই সেৱা প্ৰদানকাৰী, মধ্যস্থতাকাৰী, তথ্য কেন্দ্ৰ, কৰ্পৰেট সমিতি আৰু আন যিকোনো লোকৰ পৰা তথ্য বিচাৰিব আৰু নিৰ্দেশনা দিব পাৰে।

৭) যিকোনো সেৱা প্রদানকাৰী, তথ্য কেন্দ্র, কর্পৰেট সমিতি বা ব্যক্তি, যিসকলে উপ-অনুচ্ছেদ (৬)ৰ অধীনত বিচৰা তথ্য সঠিকভাৱে যোগান ধৰাত ব্যর্থ হয়, সেইসকলে এবছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত জৰিমনাৰ শাস্তি বা দুয়োটাই পাব পাৰে।

৮) উপ-অনুচ্ছেদ (১)ত উল্লিখিত সংস্থাৰ দ্বাৰা এই ক্ষেত্রত কর্তৃত্বপ্রাপ্ত এজন বিষয়াই অভিযোগ নিদিয়া পর্যন্ত, এই অনুচ্ছেদৰ অধীনত আদালতে কোনো অপৰাধ সংক্রান্তত পদক্ষেপ নলয়।

৮.১২.১৩ ভুল তথ্য দিয়াৰ শাস্তি (Penalty for Misrepresentation)

যিকোনো অনুজ্ঞা-পত্র বা বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র লাভৰ বাবে কোনো লোকে নিয়ন্ত্রক বা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষক ভুল তথ্য দিলে বা প্রকৃত সত্য লুকু�ৱাই ৰাখিলে দুবছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত জৰিমনা পাব পাৰে, বা দুয়োটাই পাব পাৰে। [Sec. 71]

৮.১২.১৪ বিশ্বাসযোগ্যতা আৰু গোপনীয়তা ভংগৰ শাস্তি (Penalty for Breach of Confidentiality and Privacy)

এই আইন অনুসৰি বা সংশ্লিষ্ট সময়ছোৱাত বলৱৎ হৈ থকা আন কোনো আইন মতে কোনো লোকে বিধি-বিধান ভংগ কৰি কোনো বৈদ্যুতিন তথ্য, গ্রন্থ, পঞ্জীয়ন, প্রতিনিধিত্ব, বিষয়বস্তু, নথি-পত্র বা আন কোনো বস্তু সংশ্লিষ্ট কর্তৃত্বপ্রাপ্ত লোকৰ সম্মতি নোহোৱাকৈ অন্য কোনো লোকৰ সৈতে আদান-প্রদান কৰিলে তেওঁ দুবছৰ পর্যন্ত কাৰাদণ্ড, বা এক লাখ টকা পর্যন্ত জৰিমনা বা দুয়োটা শাস্তিয়েই পাব পাৰে। [Sec. 72]

৮.১২.১৫ বিধিসম্মত কার্যকলাপৰ তথ্য সদৰি কৰাৰ শাস্তি (Punishment for Disclosure of Information in Breach of Lawful Contract)

এই আইন অনুসৰি বা সংশ্লিষ্ট সময়ত বলৱৎ হৈ থকা আন কোনো আইন অনুসৰি বিধিসম্মত কার্যকলাপৰ অধীনত কোনো লোকে বা তেওঁৰ মধ্যস্থতাকাৰীয়ে লেনদেন কৰোতে আনৰ ব্যক্তিগত তথ্য তেওঁৰ অনুমতি নোহোৱাকৈ উদ্দেশ্য প্রণোদিতভাৱে বা জ্ঞাতসাৰে আনৰ আগত প্রকাশ কৰে, বা বিধিসম্মত কার্যকলাপৰ

চুক্তিভংগ কৰে, তেনে লোকে তিনি বছৰ পর্যন্ত কাৰাদণ্ড বা পাঁচ লাখ টকা পর্যন্ত জৰিমনা বা দুয়োটা শাস্তিয়েই পাব পাৰে। [Sec. 72(A)]

৮.১২.১৬ কোনো নির্দিষ্ট নথিত মিছা বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রকাশ কৰাৰ শাস্তি (Penalty for Publishing Electronic Signature Certificate False in Certain Particulars)

কোনো লোকে একোটা বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র প্রকাশ কৰিব অথবা কোনো লোকৰ বাবে উপলব্ধ কৰোৱাব নোৱাৰিব, যদিহে তেওঁ এই কথা জানে যে—

ক) প্রমাণ-পত্রত তালিকাভুক্ত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই ইয়াক ইছ্যু কৰা নাই; বা

খ) প্রমাণ-পত্রত তালিকাভুক্ত গ্রাহকে ইয়াক গ্রহণ কৰা নাই; বা

গ) প্রমাণ-পত্রখন প্রত্যাহাৰ বা বাতিল কৰা হৈছে, এনে প্রত্যাহাৰ বা বাতিলকৰণৰ পূর্বে সৃষ্ট বৈদ্যুতিন স্বাক্ষৰ পুনৰীক্ষণৰ উদ্দেশ্যে এনে প্রকাশ যদিহে কৰা নহয়।

কোনো লোকে এই বিধি-ব্যৱস্থাবোৰ অমান্য কৰিলে দুবছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত জৰিমনা বা দুয়োটাশাস্তিয়েই পাব পাৰে।[Sec. 73]

৮.১২.১৭ প্রৱঞ্চনামূলক উদ্দেশ্যত প্রকাশ (Publication for Fraudulent Purpose)

কোনো লোকে জানি-বুজি যিকোনো ধৰণৰ প্রৱঞ্চনামূলক বা বে-আইনী উদ্দেশ্যত একোটা বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্র সৃষ্টি, প্রকাশ, সদৰি কৰিলে তেওঁ দুবছৰ পর্যন্ত কাৰাদণ্ড বা এক লাখ টকা পর্যন্ত জৰিমনা বা দুয়োটা শাস্তিয়েই পাব পাৰে। [Sec. 74]

৮.১২.১৮ বাজেয়াপ্তকৰণ (Confiscation)

এই আইনৰ ব্যৱস্থাৱলী অনুসৰি, ইয়াৰ নীতি-নিয়ম, নির্দেশনা অমান্য কৰিলে যিকোনো কম্পিউটাৰ, কম্পিউটাৰ ছিষ্টেম, ফ্লপি, কম্পেক্ট ডিচ, টেপ ড্রাইভ বা ইয়াৰ সৈতে সম্পর্কিত আন কোনো সামগ্রী জব্দ কৰা হ'ব পাৰে। কোৱা হৈছে যে বিচাৰকাৰী আদালতে যদি বিবেচনা কৰে, কোনো লোকৰ জিম্মাত থকা এনে ধৰণৰ যিকোনো কম্পিউটাৰ, কম্পিউটাৰ ছিষ্টেম, ফ্লপি, কম্পেক্ট ডিচ, টেপ ড্রাইভ বা ইয়াৰ সৈতে সম্পর্কিত আন কোনো সামগ্রী উল্লিখিত ধৰণে এই আইনৰ ব্যৱস্থাৱলীৰ অধীনস্থ নীতি-নিয়ম বা নির্দেশনা অমান্য কৰা কার্যত ব্যৱহৃত হোৱা নাই, তেনে ক্ষেত্রত সেইবিলাক জব্দ কৰাৰ পৰিৱর্তে বিধি অনুসৰি যিজন লোকে এনে অভিযোগ আনিছিল, তেওঁৰ বিৰুদ্ধে পদক্ষেপ গ্রহণ কৰিব পাৰে। [Sec. 76]



৮.১৩ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- তথ্য প্রযুক্তি আইন, ২০০০ খন ২০০০ চনত প্রস্তুত কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত তথ্য প্রযুক্তি (সংশোধনী) আইন, ২০০৮ ৰ জৰিয়তে ২০০৮ চনত সংশোধিত হৈছিল।
- এই আইনৰ উদ্দেশ্য হৈছে ভাৰতত ই-বাণিজ্যৰ ক্ষেত্রত আইনী আন্তঃগাঁথনি গঢ়ি তোলা। আইনখনৰ আন এটা উদ্দেশ্য হৈছে আইনী ব্যৱস্থাপনা প্রদান কৰা, যাতে বৈদ্যুতিন উপায়েৰে সম্পাদন কৰা বৈদ্যুতিন তথ্যপাতি আৰু অন্যান্য কার্যকলাপত বিশুদ্ধতা থাকে।
- তথ্য প্রযুক্তি আইনে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ নীতি-নিয়মৰ বাবে এখন আঁচনি প্রদান কৰিছে। আইনখনে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ এজন নিয়ন্ত্রকৰ ব্যৱস্থা কৰিছে, যিজনে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কার্যকলাপ তত্ত্বাৱধানৰ সকলো কাম কৰাৰ লগতে ইয়াৰ মানদণ্ড আৰু অৱস্থা নির্ণয় কৰাৰ উপৰি বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্রৰ বিভিন্ন পদ্ধতি আৰু সূচী নির্ধাৰণ কৰে। আইনখনে বিদেশী প্রমাণ-পত্র প্রদান কাৰী কর্তৃপক্ষ আৰু বৈদ্যুতিন স্বাক্ষৰ প্রমাণ-পত্রৰ অনুজ্ঞা-পত্র প্রদানৰ বিভিন্ন ব্যৱস্থাৱলী নির্ধাৰণ কৰে।
- বিভিন্ন অপৰাধৰ বাবে আই টি আইনে শাস্তি, ক্ষতিপূৰণ আৰু ন্যায়িক পদক্ষেপৰ বিভিন্ন ব্যৱস্থাৱলী নির্ধাৰণ কৰে।
- তথ্য প্রযুক্তি আইনে চাইবাৰ আপীলকৰণ ন্যায়াধীকৰণ প্রতিষ্ঠাৰ বাবে বিভিন্ন ব্যৱস্থাৱলী নির্ধাৰণ কৰে, যি ন্যায়াধীকৰণৰ এখন আপীলেট বডী থাকিব আৰু ইয়াত বিচাৰকাৰী বিষয়াবর্গই জাৰি কৰা নির্দেশাৱলীৰ বিৰুদ্ধে আপীল কৰিব পাৰিব।



৮.১৪ অগ্রগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১নং প্রশ্নৰ উত্তৰ ঃ Sec. 2(1)(p) অনুসৰি 'ডিজিটেল স্বাক্ষৰ' বুলিলে অনুচ্ছেদ ৩ ৰ ব্যৱস্থাৱলী অনুসৰি বৈদ্যুতিন পদ্ধতি বা প্রক্রিয়াৰ জৰিয়তে একোজন ছাবস্ক্রাইবাৰে বৈদ্যুতিন তথ্যৰ সত্যতা প্রতিপন্ন কৰা বুজায়।

২নং প্রশ্নৰ উত্তৰ ঃ Sec. 2(1)(o) অনুসৰি 'তথ্য' বুলিলে তথ্য,জ্ঞান, সত্যতা, ধাৰণা অথবা নির্দেশনা বুজায়, যিবিলাক একোটা পদ্ধতিগত ৰূপত প্রস্তুত কৰা বা কৰি থকা হৈছে আৰু একোটা কম্পিউটাৰ ছিষ্টেম বা কম্পিউটাৰ নেটৱর্কত প্রক্রিয়া কৰা হ'ব বা কৰি থকা হৈছে বা কৰা হ'ল আৰু যিকোনো ৰূপত ষ্টৰ কৰা হ'ব পাৰে (কম্পিউটাৰ

প্রিণ্টআউট, মেগনেটিক বা অপ্টিকেল ষ্ট'ৰেজ মিডিয়া, পাঞ্চড কার্ড , পাঞ্চড টেপ), বা কম্পিউটাৰৰ মেম'ৰীত আভ্যন্তৰীণভাৱে সংৰক্ষিত হ'ব পাৰে।

৩নং প্রশ্নৰ উত্তৰ ঃ Sec. 14 অনুসৰি একোটা নির্দিষ্ট সময়ত একোটা বৈদ্যুতিন তথ্যৰ ক্ষেত্রত যেতিয়া কোনো সুৰক্ষাজনিত ব্যৱস্থা প্রয়োগ কৰা হয়,তেতিয়া এনে ধৰণৰ তথ্যক উল্লিখিত সময়ৰ পৰা পুনৰীক্ষণ নকৰালৈকে সুৰক্ষিত বৈদ্যুতিন তথ্য হিচাপে গণ্য কৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ ক) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কার্যকলাপৰ তত্ত্বাৱধানৰ ব্যৱস্থা কৰা;
খ) প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ পাব্লিক কীৰ প্রমাণ-পত্র দিয়া।

৫নং প্রশ্নৰ উত্তৰ ঃ একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰিব পাৰি—

ক) ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্রত তালিকাভুক্ত ছাবস্ক্রাইবাৰৰ পৰা বা ছাবস্ক্রাইবাৰৰ হৈ কাম কৰিবৰ বাবে কর্তৃত্বপ্রাপ্ত কোনো লোকৰ পৰা তেনে কৰিবলৈ কোনো অনুৰোধ লাভ কৰিলে;

খ) ৰাজহুৱা স্বার্থত ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰিব লাগে বুলি ধাৰণা হ'লে।

একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র পোন্ধৰ দিনতকৈ অধিক সময়ৰ বাবে বাতিলকৰিব নোৱাৰিব, যদিহে ছাবস্ক্রাইবাৰজনক বিষয়টো সন্দর্ভত কাৰণ দর্শাবলৈ এটা উপযুক্ত সুযোগ দিয়া নহয়। এই আইনৰ অধীনত একোখন ডিজিটেল স্বাক্ষৰ প্রমাণ-পত্র বাতিল কৰোতে প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষই সেই সম্পর্কে ছাবস্ক্রাইবাৰক অৱগত কৰিব লাগিব।



৮.১৫ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ ঃ তথ্য প্রযুক্তি আইন ২০০০ ৰ সংশোধনৰ উদ্দেশ্যবোৰ সংক্ষেপে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ বৈদ্যুতিন স্বাক্ষৰ সংলগ্ন কৰি বৈদ্যুতিন তথ্য সত্য প্রতিপন্ন কৰাৰ বাবে থকা চর্তবোৰ কি কি?

প্রশ্ন ৩ ঃ ই-গভার্ণেন্স কার্যকৰী কৰিবৰ বাবে সংশোধিত তথ্য প্রযুক্তি আইন ২০০০ৰ ব্যৱস্থাৱলী সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ তথ্য প্রযুক্তি আইন, ২০০০ ৰ অধীনত প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ নিযুক্তি আৰু ক্ষমতা সম্পর্কীয় নিয়মাৱলী কি কি?

প্রশ্ন ৫ ঃ তথ্য প্রযুক্তি আইন, ২০০০ৰ অধীনত একোটা প্রমাণ-পত্র প্রদানকাৰী কর্তৃপক্ষৰ কর্তব্যসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ চাইবাৰ আপীলকৰণ ন্যায়াধীকৰণৰ গঠন আৰু ক্ষমতাৱলী বর্ণনা কৰক।

*** ***** ***